

# জীৱন দৰ্শন

শ্ৰীউমেশ কলিতা বৈষ্ণৱ

ওঁ

তৎ সৎ

নাৰায়ণী পুথিভঁৰাল, হাউলী
স্থাপিত-১৯৬১ ইং
তাং.........

# জীৱন দৰ্শন

শ্ৰীউমেশ কলিতা বৈষ্ণৱ

প্ৰকাশক :
শ্ৰীউমেশ কলিতা বৈষ্ণৱ
বাউসি, তেতেলীয়া
ডাকঘৰ— বৰস্বৈ
পিন— ৭৮১১০৪
কামৰূপ (অসম)

৮ আঘণ, ১৯১৮ শকাব্দ
২৪ নবেম্বৰ, ১৯৯৬

বেটুপাত
শ্ৰীদিলীপ লহকৰ, টিহু।

মূল্য : ১০.০০ টকা

মুদ্ৰণ : বিজয়া প্ৰিণ্টি, প্ৰেছ,
দমদমা : কামৰূপ

ওঁ

# ভক্তি তৰ্পণ

যাৰ কৃপাত এই ভৱ সংসাৰ দেখিবলৈ পালো, যাৰ আশীৰ্ব্বাদ আৰু অনুপ্ৰেৰণাত ভগৱন্তক ভজিবলৈ সুমতি জাগ্ৰত হ'ল সেই পৰম আৰাধ্য পিতৃ পৰলোকপ্ৰাপ্ত যাদুৰাম কলিতা বৈষ্ণৱদেৱ আৰু স্নেহশীলা জননী শ্ৰীনাৰায়ণী কলিতা বৈষ্ণৱী দেৱীৰ শ্ৰীচৰণত হিয়া-ভৰা ভক্তিৰ তৰ্পণ ৰূপে "জীৱন দৰ্শন" পুথিখনি উছৰ্গা কৰিলোঁ।

হৰি ওঁ তৎ সৎ।

বিনীত—
—উমেশ

## বিষয় সূচী


| | | |
|---|---|---|
| ১। | বদৰিকাশ্ৰম আৰু কেদাৰনাথ | ১ |
| ২। | মাধৱদেৱৰ নাটত শিশু কৃষ্ণ | ১১ |
| ৩। | পৰিব্ৰাজকৰ দৃষ্টিত অসম আৰু ভাৰত | ১৯ |
| ৪ | বৈষ্ণৱৰ নিত্য পালনীয় কৰ্ম | ৩২ |
| ৫। | শিৱলিঙ্গ আৰু ইয়াৰ মাহাত্ম্য | ৩৭ |
| ৬। | মানৱ জীৱনৰ কৰ্ত্তব্য | ৪২ |
| ৭। | নামধন পৰম ধন | ৪৭ |
| ৮। | তত্ত্ব জ্ঞান | ৫২ |
| ৯। | ঈশ্বৰক আমি তুমি কওঁ কিয় ? | ৫৮ |


## আগকথা

শ্ৰীমান উমেশ কলিতা বৈষ্ণৱ মোৰ ছাত্ৰ। প্ৰাগ্‌জ্যোতিষ কলেজত অধ্যাপনা কৰি থাকোতে তেওঁক ছাত্ৰ হিচাবে পাইছিলোঁ। শিক্ষকতা তেওঁৰ মূল পেছা। নানা সামাজিক কামৰ মাজতো সুৰুঙা উলিয়াই তেওঁ সাহিত্য চৰ্চা কৰি আহিছে। শ্ৰীমান কলিতাৰ 'জীৱন দৰ্শন' নামৰ পুথিখন তেওঁৰ সাহিত্য চৰ্চাৰ নিদৰ্শন। পুথিখন ন টা প্ৰবন্ধৰ সমষ্টি। যেনে: বদৰিকাশ্ৰম আৰু কেদাৰনাথ, মাধৱদেৱৰ নাটত শিশু কৃষ্ণ, পৰিব্ৰাজকৰ দৃষ্টিত অসম আৰু ভাৰত, বৈষ্ণৱৰ নিত্য পালনীয় কৰ্ম, শিৱলিংগ আৰু ইয়াৰ মাহাত্ম্য, মানৱ জীৱনৰ কৰ্ত্তব্য, নামধন পৰম ধন, তত্ত্বজ্ঞান আৰু ঈশ্বৰক আমি তুমি কওঁ কিয়। এই প্ৰবন্ধ কেইটিৰ ভিতৰত পৰিব্ৰাজকৰ দৃষ্টিত অসম আৰু ভাৰতৰ বাহিৰে আন প্ৰবন্ধ কেইটা বৰ্ত্তমান কালৰ অশান্ত আৰু সংঘাট জৰ্জৰিত মানৱৰ বাবে শান্তি বাৰিধি সদৃশ। নৈতিক আৰু ধৰ্মীয় শিক্ষা অবিহনে সমাজ জীৱন সম্পূৰ্ণ হ'ব নোৱাৰে। নৈতিক চৰিত্ৰ আৰু ধৰ্মৰ প্ৰতি গাঢ় আস্থা আৰু বিশ্বাস নাথাকিলে কোনো লোকেই সমাজ বা দেশৰ বা জনগণৰ মঙ্গল আৰু কল্যাণ সাধন কৰিব নোৱাৰে। দুখৰ বিষয় আমাৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰপৰা এই সদ্‌গুণাৱলী লাহে লাহে অপসাৰিত হ'বলৈ বাধ্য হৈছে। পৰিণতিত সমাজ জীৱন হত্যা, লুণ্ঠন, ধৰ্ষণ আদি অমানবীয় আৰু নিষ্ঠুৰ আচৰণেৰে জৰ্জৰিত আৰু কলুষিত হৈছে। এনে এক জটিল প্ৰসংগত শ্ৰীমান কলিতাৰ এই প্ৰবন্ধ কেইটাৰ তাৎপৰ্য্য নোহোৱা নহয়। প্ৰবন্ধ কেইটাৰ অধ্যয়নৰ জৰিয়তে পাঠক পাঠিকাই অন্ততঃ প্ৰয়োজনীয় নীতিমূলক আৰু ধৰ্মমূলক কিছু কথাৰ সম্ভেদ পাব। পুথিখনৰ ৰচয়িতা শ্ৰীমান কলিতাই তত্ত্বপূৰ্ণ কথাবোৰ সহজ সৰল ভাষাত উপস্থাপন কৰিছে। গতিকে সাধাৰণ পাঠক পাঠিকায়ো এই কথাবোৰ কোনো ধৰণৰ আঁৰ নলগাকৈ বুজি পাব। শ্ৰীমান কলিতা এইবাবে আমাৰ প্ৰশংসাৰ পাত্ৰ। আশা কৰিছোঁ পুথিখনে ৰাইজৰ পৰা সহানুভূতি লাভ কৰিব। তেওঁৰ পৰা এনে ধৰণৰ আৰু গ্ৰন্থ পাবলৈ আশা কৰিলোঁ। শ্ৰীমান কলিতাৰ সাহিত্যিক জীৱনৰ কৃতকাৰ্যতা কামনা কৰিলোঁ। ইতি

ড° নবীন চন্দ্ৰ শৰ্মা
মুৰব্বী অধ্যাপক, লোক সংস্কৃতি বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়।
৬।১।৯৭ ইং

# পূৰ্বাভাস

এটি সুদিনৰ কথা। সদালাপ কৰি থাকোতে সহকৰ্ম্মী বন্ধু মাননীয় শ্ৰীহোমেশ্বৰ বৈশ্যদেৱে কলে "স্কুল আলোচনীবোৰত ছপা হোৱা আপোনাৰ প্ৰৱন্ধকেইটি একলগ কৰি কিতাপ আকাৰে ছপা কৰিলে জীৱৰ উপকাৰত আহিব।"

পৰামৰ্শটি উত্তম জ্ঞান কৰি ভাবিলো বৈতৰণীৰ সোঁতত কক্‌বকাই থকা মুমুক্ষু সকলৰ কিঞ্চিতমান উপকাৰত আহিলে আমাৰ শ্ৰম সাৰ্থক হব। সেয়েহে মনৰ অদম্য উৎসাহ আৰু উদ্দীপনা লৈ ছপা কৰ্মত আগবঢ়া হ'ল। পিছে আমি বৈষয়িক মন লৈ হৰি সাধনাত অগ্ৰসৰ হোৱা লোক। এনে মনৰ জীৱক পৰমাত্মাভিমুখী কৰিবলৈ প্ৰৱন্ধ কেইটিৰ মাজেদি প্ৰযত্ন কৰা হ'ল। প্ৰৱন্ধকেইটিৰ বিষয় বস্তু তথ্য গধুৰ আছিল যদিও আমাৰ দৰে অনভিজ্ঞ ভাষা-জ্ঞানহীন আৰু তত্বজ্ঞানত পঙ্গু লোকৰ বাবে তাৰ মৰ্মাৰ্থ স্পষ্ট ৰূপত ফুটাই তোলাতো হয়তো সম্ভৱপৰ হৈ নুঠিল। যিহেতু ই আমাৰ প্ৰথম প্ৰয়াস। যিহেতুকে "গুণান গৃহ্নন্তি সাধৱ:" অৰ্থাৎ সাধু সকলে গুণকহে গ্ৰহণ কৰে। সেইবাবে অজ্ঞাত ভুল ত্ৰুটি বঢ়া টুটাৰ বাবে পূজনীয় শাস্ত্ৰকাৰ, গুৰু, ভক্ত, পাঠক আৰু সুধী সমাজৰ ওচৰত আমি ক্ষমা ভিক্ষাৰী।

এনে কাৰ্যাত উদগনি আৰু পৰামৰ্শ দাতা শ্ৰদ্ধেয় শ্ৰীমৎস্বামী বিদুৰ দাস গোস্বামী, শ্ৰীগৰ্গেশ্বৰ নাথ বৈষ্ণৱ, ডঃ ৰবীন শৰ্মা, শ্ৰীসমীন কলিতা, শ্ৰীফণীধৰ লহকৰ, শ্ৰীহোমেশ্বৰ বৈশ্য, শ্ৰীকমলেন্দ্ৰ প্ৰসাদ দাস, শ্ৰীৰজনী প্ৰসাদ মালাকাৰ, সহধৰ্মিণী শ্ৰীধৰ্মী ডেকা বৈষ্ণৱী আৰু বেটুপাত শিল্পী বাঘমাৰা কলেজৰ প্ৰবক্তা ভাতৃপ্ৰতীম মাননীয় শ্ৰীদিলীপ লহকৰদেৱ অন্যতম।

গুৱাহাটী বিশ্ববিদালয়ৰ লোকসংস্কৃতি বিভাগৰ মুৰব্বী অধ্যাপক শিক্ষাগুৰু শ্ৰদ্ধেয় ডঃ নবীন চন্দ্ৰ শৰ্মাদেৱে আগকথা লিখি দিয়া বাবে তেখেতলৈ অভাজনৰ সহস্ৰ প্ৰণাম থাকিল। শেষত পৰম শ্ৰদ্ধাভাজন ধৰ্মপ্ৰাণ সুধী সমাজে পুথিখন আন্তৰিকতাৰে গ্ৰহণ কৰিলে আমাৰ শ্ৰম সাৰ্থক হ'ব।

বিজয়া প্ৰিন্টিং প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দলৈ মোৰ কৃতজ্ঞতা থাকিল। ইতি,

শ্ৰীকৃষ্ণৰ ৰাসযাত্ৰা
৮ আঘোণ, ২৪।১১।৯৬ ইং
বাউসী-তেতেলীয়া।

বৈষ্ণৱৰ শ্ৰীচৰণাশ্ৰিত
শ্ৰীউমেশ কলিতা বৈষ্ণৱ

# বদৰিকাশ্ৰম আৰু কেদাৰনাথ

কিন্তু ব্যৱহাৰ কৰি মোৰ আজ্ঞা শিৰে ধৰি
বদৰিকাশ্ৰমক যায়োক।
গঙ্গাত কৰিয়া স্নান জপিবা আমাৰ নাম
সদায়ে স্মৰিবা মনে মোক॥

(ভাগৱত একাদশ স্কন্ধ)

পুণ্যভূমি ভাৰতবৰ্ষৰ ইমানবোৰ তীৰ্থস্থানৰ ভিতৰত পৰম ভক্ত উদ্ধৱক কৃষ্ণ ভগৱন্তই বৈকুণ্ঠ প্ৰয়াণৰ বেলা বদৰিকাশ্ৰমলৈকেহে যোৱাৰ নিৰ্দ্দেশ দিছিল। প্ৰভুৰ এই নিৰ্দ্দেশে নিশ্চয় এই আশ্ৰমখনৰ কিবা বিশেষ মাহাত্ম্য আছে বুলি মনে ধৰে। আনহাতে শাস্ত্ৰত উল্লেখ থকা মতে একালত এই মহান আশ্ৰমখনেই আছিল ঋষি-মুনি সকলৰ ধ্যান-ধাৰণাৰ মিলনভূমি। ঈশ্বৰ প্ৰাপ্তিৰ বাবে তেওঁলোকে যুগ যুগ ধৰি এই নিৰ্জন আশ্ৰমখনতে তপস্যা কৰি সাধনাত সিদ্ধিলাভ কৰিছিল। কথিত আছে যে চাৰিওযুগে অমৰ আত্মাসকল আজিও এই আশ্ৰমখনতে ধ্যান কৰি আছে। তদুপৰি মহামুনি ব্যাসদেৱে এই আশ্ৰমতে থাকি চাৰি বেদ, ওঠৰ পুৰাণ, মহাভাৰত, উপনিষদ, আৰণ্যক সংহিতা, বেদান্ত আৰু ভাগৱতকে আদি কৰি সমস্ত আগম নিগম শাস্ত্ৰবোৰ লিখিছিল।

সেয়েহে এই মহান পুণ্যধামখন দৰ্শন আৰু স্পৰ্শনৰ বাবে বহুদিনৰেপৰা মনত এটি স্পৃহা জাগি আছিল। তদুপৰি ২৩-৮-৯৩ ইং

তাৰিখে নেপালৰ কাঠমাণ্ডুত অৱস্থিত গোৰক্ষধাম দৰ্শনৰ সময়তো মন্দিৰৰ মুখ্য পূজাৰীজনাই ভাৰতবৰ্ষৰ উত্তৰ প্ৰদেশৰ হিমালয়ৰ পাদ প্ৰান্তত অৱস্থিত বদ্ৰীনাথ আৰু কেদাৰনাথ ধাম দৰ্শনৰ বাবে আমাক পৰামৰ্শ দিছিল। এনে পৰামৰ্শই আমাক আৰু অতিকৈ আগ্ৰহান্বিত কৰি তুলিছিল।

১৯৯৫ ইং চনৰ ৩০ জুন তাৰিখে ৬ জন সংগী ভকত সহ ৰেলেৰে দিল্লীৈহে বদৰিকাশ্ৰম, কেদাৰধাম, গঙ্গোত্ৰী, যমুনোত্ৰী, হৰিদ্বাৰ, ঋষিকেশ দৰ্শনৰ উদ্দেশ্যে যাত্ৰা আৰম্ভ কৰিছিলো। ২ জুলাই তাৰিখে ৰাতিপুৱা ৯ বজাত আমি নতুন দিল্লী পাইছিলো আৰু তাৰ পৰা সেই দিনাই বাছেৰে হৰিদ্বাৰলৈ গৈছিলো। তাতে "বৈষ্ণৱ দেৱী যাত্ৰী নিবাস" নামে ধৰ্মশালাত আমি আছিলো। এনেকুৱা আৰু কেইবাখনো ধৰ্মশালা যাত্ৰী সকলৰ বাবে আছে। ইয়াত আমি তিনিদিন থাকি ইয়াৰ প্ৰায়বোৰ মঠ মন্দিৰ দৰ্শন কৰিছিলো।

হৰিদ্বাৰ নামৰ মাহাত্ম্য— ভাৰতবৰ্ষৰ উত্তৰ দিশৰ হিমালয়ৰ পাদ প্ৰান্তত অৱস্থিত বদ্ৰীনাৰায়ণ অৰ্থাৎ ভগৱান বিষ্ণুৰ অনুপম স্থান দৰ্শনৰ বাবে যোৱাৰ এইটোৱে একমাত্ৰ ৰাস্তা। ভগৱান বিষ্ণুৰ আন এটা নাম হৰি। সেই কাৰণে এই ঠাইখনক হৰি-দ্বাৰ অৰ্থাৎ ভগৱান বিষ্ণুৰ দ্বাৰ বোলা হয়। স্কন্দপুৰাণত এই ঠাই মায়াপুৰী নামে বৰ্ণিত আছে। ভাগীৰথী গংগা পৰ্বত প্ৰদেশৰ পৰা কল্ কল্ শব্দ কৰি সৰ্বপ্ৰথমে এই ঠাইতে সমতল ভূমিত প্ৰবাহিত হৈছেহি। সেই কাৰণে এই ঠাইক গংগাদ্বাৰ বুলিও কয়। ইয়াৰ উপৰিও এই ঠাইক ব্ৰহ্মপুৰী, মায়ামুখ্যদ্বাৰ নামেও পৰিচিত। পাণ্ডৱ সকলে এই পথেৰেই মহাপ্ৰস্থান কৰিছিল। ইয়াৰ কিছু দূৰত থকা ভীমগোড়া স্থানে ইয়াৰ সাক্ষী বহন কৰি আছে। এই হৰিদ্বাৰতে অৰ্দ্ধ কুম্ভমেলা আৰু ১২ বছৰৰ মূৰে মূৰে পূৰ্ণ কুম্ভমেলা হয়। এই মেলাত লক্ষাধিক সাধু সন্তৰ সমাবেশ ঘটে।



হৰিদ্বাৰৰ প্ৰধান প্ৰধান মঠ মন্দিৰ সমূহ হ'ল ব্ৰহ্মকুণ্ড, হৰকী— পেইড়ী, দক্ষপ্ৰজাপতিৰ মন্দিৰ, সতীকুণ্ড, কণখল, মনসাদেৱী মন্দিৰ, চণ্ডীদেৱী মন্দিৰ, ভীমগোড়া মন্দিৰ, সপ্তসৰোবৰ, বিল্বেকেশ্বৰ মন্দিৰ, মায়াদেৱী মন্দিৰ, ভোলাগিৰি মন্দিৰ, ৰাঘবেন্দ্ৰ মন্দিৰ; গীতাভৱন মন্দিৰ আদি প্ৰধান। গংগাত গাধোৱা প্ৰধান ঘাট সমূহ হ'ল সুভাষ ঘাট, কুশাবৰ্ত্ত ঘাট, ৰাম ঘাট, বিষ্ণু ঘাট আদি প্ৰধান। স্বামী শুকদেৱানন্দজীৰ দ্বাৰা নিৰ্মিত পৰমাৰ্থ আশ্ৰমখন উচ্চ পৰ্য্যায়ৰ সাধু সন্তৰ আবাস গৃহ। প্ৰতি দিনে সন্ধিয়া পৰত গংগাত আৰতি চাই আমি সচাকৈ অভিভূত হৈ পৰিছিলো। তিনিদিনৰ মূৰত আমি বাছেৰে পুনৰ বদৰিকাশ্ৰম অভিমুখে যাত্ৰা আৰম্ভ কৰিছিলো।

হৰিদ্বাৰৰ পৰা বদৰিকাশ্ৰমলৈ ৩২০ কিঃ মিঃ দূৰত্ব আৰু ১১৫৩৩ ফুট ওখ। সেইদিনাই আমি ১২৬ কিঃ মিঃ বাট গৈ হৰিদ্বাৰৰ পৰা যথাক্ৰমে ঋষিকেশ, দেৱপ্ৰয়াগ এৰি সন্ধিয়া হোৱাত শ্ৰীনগৰ নামে ঠাইত থাকিবলৈ লৈছিলো। আমি ধৰ্মশালাত আছিলো আৰু থকা খোৱাৰ সকলো সুবিধা পাইছিলো। আহল বহল দুইখন বিছনাযুক্ত কোঠাটো নিশাটোৰ বাবে ভাড়া বাবদ আমি ১০০.০০ টকা (এশ) দিবলগীয়া হৈছিলো। ভিন্ ভিন্ ব্যঞ্জনযুক্ত নিৰামিষ ভোজনৰ বাবে প্ৰতিজন যাত্ৰীয়ে ৫২.০০ (বাৱন্ন) টকাকৈ দিছিলো। শ্ৰীনগৰ এখন সৰু নগৰ হলেও ইয়াত স্কুল কলেজকে আদি কৰি বসবাসৰ সকলো সুবিধা আছে। পিছদিনা উষাকাল ৪-৪৫ বজাত আমি একেখন বাছেৰে পুনৰ গন্তব্যস্থানলৈ যাত্ৰা আৰম্ভ কৰিছিলো। বাটত ৰুদ্ৰপ্ৰয়াগ, যোশীমঠ, নন্দপ্ৰয়াগ, চামেলি, পিপল কোঠী, কৰ্ণ-প্ৰয়াগ, হনুমান চটী, পাণ্ডুকেশ্বৰ আৰু অৱশেষত আবেলি ৩ বজাত মহাপ্ৰভুৰ পুণ্যধাম বদৰিকাশ্ৰম পাইছিলোগৈ। উলিখিত আটাইবোৰ ঠাইতে যাত্ৰী সকলৰ বাবে থকা খোৱাৰ সকলো ব্যৱস্থা আছে। আমাৰ গাড়ী যোশীমঠতহে কিছু সময়ৰ বাবে ৰৈছিল আৰু আমি

তৎমুহূৰ্ত্তে চাহ জলপান খাই মঠৰ আশে পাশে থকা দুই চাৰিটা মন্দিৰ দৰ্শন কৰিছিলো।

যোশীমঠৰ বিশেষত্ব— এই মঠ ভগৱান শংকৰাচাৰ্য্যই প্ৰতিষ্ঠা কৰা চাৰিমঠৰ ভিতৰত অন্যতম। এই মঠতে বদ্ৰীনাথৰ গদি আছে। শীত কালত নবেম্বৰৰ পৰা এপ্ৰিলমাহ পৰ্য্যন্ত বদ্ৰীনাথৰ চলন্ত মূৰ্ত্তি আনি এই মঠত ৬ মাহ কাল পূজা কৰা হয়। ইয়াৰ ওচৰতে নৰসিংহ ভগৱানৰ কৃষ্ণবৰ্ণ শিলত চতুৰ্ভূ্জ মূৰ্ত্তি অংকিত আছে। ওচৰতে দ্ৰোপদীৰ আৰু গৰুৰ পক্ষীৰ মূৰ্ত্তিও আছে। সৰু মন্দিৰ এটাত দুৰ্গা আৰু গণেশৰ মূৰ্ত্তি আছে। এই মূৰ্ত্তিবিলাকত যাত্ৰীসকলে ঘি দান কৰে। ইয়াৰ ওচৰতে এটা কুণ্ড আছে। এই কুণ্ডত দুটা শিলেৰে নিৰ্মিত হাতী শুৰেৰে জলধাৰ প্ৰবাহিত হৈ আছে। ই দণ্ডচাৰী নামে বিখ্যাত। এই দৃশ্য অতি মনোৰম।

হনুমান চটী— ই এটি সৰু মন্দিৰ হলেও চালে চকুৰোৱা। ভিতৰত এটা অঞ্জনা পুত্ৰ বীৰ হনুমানৰ মূৰ্ত্তি আছে। গাড়ী চালক সকলে ক্ষন্তেকৰ বাবে গাড়ী ৰাখি ইয়াৰ নিৰ্মালি আৰু প্ৰসাদ গ্ৰহণ কৰে। প্ৰবাদ আছে যে এনে ভক্তি অঞ্জলিয়ে আকস্মিক পথ দুৰ্ঘটনাৰ পৰা ৰক্ষা কৰে বুলি সকলোৱে বিশ্বাস কৰে। আমাৰ গাড়ীও ক্ষন্তেকৰ বাবে বৈ গৈছিল। যাত্ৰী সকলে ৰঘুনাথজী কি জয়, জয় হনুমানজী কি জয়ধ্বনি কৰিছিল। ইয়াৰ পৰা আশ্ৰমলৈ আৰু অলপ দূৰ ৰাস্তাহে আছিল। হৰিদ্বাৰৰ পৰা এই দীঘলীয়া পথচোৱা গংগাৰ পাৰে পাৰে আছিল আৰু ই অতিকৈ দুৰ্গম আছিল। ঠায়ে ঠায়ে পাহাৰৰ ওপৰৰ পৰা শিল মাটি খহি পৰি হঠাতে ৰাস্তা বন্ধ কৰি পেলায়। বুলড্ৰেজাৰেৰে (Bulldozer) সেইবোৰ আতৰাই দিলেহে গাড়ী পুনৰ চলাচল কৰিব পাৰে। গংগাৰ পাৰে পাৰে চৰকাৰে, বনবিভাগৰ দ্বাৰা বটবৃক্ষৰ নিচিনা কিছুমান গছপুলি ৰোপণ কৰিছে। সেইবোৰ কিছু ডাঙৰ হৈছে আৰু কিছু সৰু আছে। বিশ, ত্ৰিশ বছৰৰ ভিতৰত সেইবোৰ বৃহৎ গছত পৰিণত হৈ আকস্মিক পথ দুৰ্ঘটনাৰ প্ৰতিৰোধক হ'ব বুলি অনুমান কৰিব পাৰি। হাজাৰ হাজাৰ ফুট তলেৰে বৈ যোৱা গঙ্গা নদীৰ সৰস্ৰোত গাড়ীৰ ভিতৰৰ পৰা দেখিলে মূৰ ঘূৰাই যোৱা অৱস্থা। এই দীৰ্ঘ পথচোৱা শিলৰ মাজেৰে বৈ অহা বাবে গঙ্গাৰ কলেবৰ অতি ক্ষীণ দেখা যায়। এই দুৰ্গম পথচোৱা আমি বদ্ৰীনাৰায়ণৰ শ্ৰীচৰণত আত্মসমৰ্পন কৰি গুৰুদত্ত মালা জপ কৰি গৈছিলো। অইন কোনো চিন্তাই আমাৰ মনলৈ অহা নাছিল।

আবেলি ৩-১০ বজাত আমাৰ গাড়ী বদৰিকাশ্ৰমৰ পুণ্যভূমি স্পৰ্শ কৰিছিল। গাড়ীৰ ভিতৰৰ পৰা যাত্ৰী সকলে জয় বদ্ৰীবিশাল ধ্বনি কৰিছিল। ক্ষন্তেক পিছতে আমি গাড়ীৰ পৰা সমতল ভূমিত নামি পৰিছিলো আৰু কিছু দূৰৰ পৰা মন্দিৰৰ সোণৰে নিৰ্মিত কলচিভাগ দেখি অভিভুত হৈ পৰিছিলো। আপোনা আপুনি মূৰ দো খাই গৈছিল আৰু তেৰাৰ নাম শত সহস্ৰবাৰ মনতে স্মৰণ কৰিছিলো।

অসম পাণ্ডাই আমাক তেখেতৰ আত্মীয়া ধৰ্মশালালৈ লৈ গৈছিল আৰু আমি তাতে থাকিবলৈ লৈছিলো।

ভগৱতী অলকানন্দাৰ উত্তৰ ফালে মহাপ্ৰভু বদ্ৰীনাথৰ মন্দিৰ অৱস্থিত। এই মন্দিৰ অতি প্ৰাচীন। ইয়াৰ কলচিভাগ সোণৰে তৈয়াৰী আৰু বেৰবোৰ চাৰিকোণীয়া শিলৰে নিৰ্মিত। মন্দিৰৰ পূৱফালে ৪৫ ফুট ওখ মুখ্যদ্বাৰ আছে। সন্মুখত চতুৰ্ভুজ বিষ্ণু মূৰ্ত্তি দুটা আছে। মন্দিৰৰ ভিতৰত কৃষ্ণবৰ্ণ শিলত নিৰ্মিত বহুমূল্য বস্ত্ৰাভৰণযুক্ত বিচিত্ৰ মুকুট শোভিত শ্ৰীশ্ৰীবদ্ৰীনাৰায়ণ প্ৰভুৰ অপূৰ্ব মূৰ্ত্তি আছে। মূল মূৰ্ত্তিৰ সোফালে শ্ৰীকুবেৰ আৰু শ্ৰীগণেশৰ মূৰ্ত্তি আছে। বাওফালে শ্ৰীলক্ষ্মী আৰু শ্ৰীনাৰায়ণৰ মূৰ্ত্তি আছে। লগতে গড়ুৰ উদ্ধৱ আদিৰ সৰু সৰু মূৰ্ত্তিও আছে। মূৰ্ত্তিবোৰ আতক ধুনীয়া। মন্দিৰৰ পিছফালে ধৰ্মশিলা নামৰ এটা শিলাখণ্ড আছে। বাওফালে

এটা কুণ্ড আছে। উত্তৰে এটা কোঠালীত এই নগৰ ৰক্ষক ঘণ্টাকর্ণজীৰ মূৰ্ত্তী আছে। পূৱফালৰ খোলা ঠাইত গড়ুৰ ভগবানৰ শিলৰ মূৰ্ত্তি আছে। দক্ষিণফালে মা লক্ষীদেৱীৰ মন্দিৰ আছে। কাষতে মহাপ্ৰভুৰ বাবে অন্নপাক কৰা ভোগঘৰ আছে। মন্দিৰৰ সন্মুখৰ ফালে ৬৫ ফুট তলত ২৩ ফুট্ দীঘল ১৮ ফুট্ বহল আৰু ৪ ফুট্ মান দ এটা গৰম পানীৰ কুণ্ড আছে। সকলো সময়তে এই কুণ্ডত গৰম পানী নিৰ্গত হৈ থাকে। যাত্ৰীসকলে ইয়াতে স্নান কৰিহে মন্দিৰ দৰ্শন কৰে। লোক সকলক প্ৰচণ্ড ঠাণ্ডাৰ পৰা ৰক্ষা কৰাৰ ভগৱান প্ৰদত্ত ই এক ৰক্ষা কবচ বুলিব পাৰি। আমি এই কুণ্ডত স্নান কৰি মন্দিৰ দৰ্শন কৰিছিলো। মন্দিৰৰ ওচৰতে নাৰদশিলা, নৃসিংহ শিলা, বৰাহশিলা, গড়ুৰশিলা আৰু কুবেৰশিলা নামে পাঁচটা সৰু সৰু পাহাৰৰ টিলা আছে। বোধহয় এই টিলাৰ গুহাবোৰতে এওঁলোকে এসময়ত তপস্যা কৰিছিল। নাৰদশিলাৰ ওচৰতে নাৰদকুণ্ড আছে। ইয়াৰ ওচৰতে ব্ৰহ্মকুণ্ড, গৌৰীকুণ্ড, সূৰ্য্যকুণ্ড আছে। মন্দিৰৰ পৰা পাঁচ কিঃ মিঃ দূৰত ঋষিগঙ্গা আৰু দক্ষিণে কৰ্মধাৰা আৰু প্ৰহ্লাদধাৰা আছে। মন্দিৰৰ পৰা প্ৰায় ৪০০ গজমান উত্তৰে অলকানন্দাৰ দক্ষিণে ব্ৰহ্মকপালী নামে এক শিলাখণ্ড আছে। মন্দিৰৰ উত্তৰফালে প্ৰায় ৩ কিঃ মিঃ দূৰত মালা গাওঁ অৱস্থিত। ই তীব্বত আৰু চীনদেশৰ সীমামূৰীয়া গাওঁ।

ইয়াৰ ওচৰতে ব্যাস গুহা আছে। এই গুহা ৫০০০ হাজাৰ বছৰ পুৰণি বুলি লিখা আছে। এই পবিত্ৰ গুহাৰ ভিতৰত প্ৰবেশ কৰি আমি গোলোক ধামত প্ৰবেশ কৰা যেন অনুমান কৰিছিলো। গুহাৰ ভিতৰত ব্যাসদেৱৰ মূৰ্ত্তি আছে আৰু ভিতৰভাগ আহল বহল। ২২ বছৰমান বয়সৰ ডেকা পূজাৰী এজনে আমাক এই গুহাৰ ইতিবৃত্ত সহজ হিন্দী ভাষাৰে আৰু মধুময় সংস্কৃত শ্লোকেৰে বুজাই কৈছিল। গুহাটো ক্ষয়জাত শিলেৰে গঠিত বাবে যুগ পৰিবৰ্ত্তনৰ লগে লগে পূৰ্বতকৈ কিছু সৰু হৈ আহিছে বুলি পূজাৰীজনে আমাক কৈছিল।



এই গুহাতে বহি ব্যাসদেৱে সনাতন হিন্দু ধৰ্মৰ অমূল্য গ্ৰন্থৰাজি ৰচনা কৰিছিল। ইয়াৰ ওচৰতে গণেশ গুহা আছে। গুহাৰ ভিতৰত গণেশৰ শিলামূৰ্ত্তি আছে। এই গুহাৰ পূজাৰীজনৰ মতে ব্যাসদেৱৰ আহ্বান মৰ্মে গণেশে এই গুহাৰ পৰা গৈ ব্যাস গুহাত পঞ্চমবেদ মহাভাৰত লিখিছিল। ইয়াৰ ওচৰতে ভীমপুল আছে। পাহাৰৰ ওপৰৰ পৰা হো হো শব্দৰে তললৈ বৈ অহা সৰস্বতী নদী এইখিনিতে অলকানন্দাৰ লগত সংগম হৈছে। কথিত আছে যে পাণ্ডৱসকলে স্বৰ্গাৰোহণৰ সময়ত এই সৰস্বতী নদী পাৰহৈ যাওতে ভীমে গদা পাৰি দিছিল আৰু সেই গদাৰ ওপৰেৰে তেওঁলোকে নদী পাৰহৈ গৈছিল। সেই দলংখন আজিও ভীমপুল নামে খ্যাত হৈ আছে। ইয়াৰ পৰা ২ কিঃ মিঃ দূৰত মচুকুণ্ড গুহা আছে। এই গুহাতে কৃষ্ণ ভগবন্তই কালযবনক মচুকুণ্ডৰ দ্বাৰা কৌশলপূৰ্ণ ভাবে বধ কৰাইছিল। ইমানদিনে ভাগৱতত পঢ়ি থকা কাহিনীবোৰৰ স্থান সমূহ আজি নিজ চকুৰে দৰ্শন পোৱাত আনন্দৰ অশ্ৰুজল নিগৰি গৈছিল।

বদৰিকাশ্ৰমৰ পূৱফালে "পৰমাৰ্থলোক" নামেৰে এটা বৃহৎ ভৱন আছে। ইয়াৰ ভিতৰত ভগৱানৰ লীলা অৱতাৰ আৰু সহস্ৰ দেৱদেৱীৰ মূৰ্তি আছে। যাত্ৰী সকলৰ মনোৰঞ্জনৰ বাবে ইয়াক নিৰ্মাণ কৰা হৈছে। এই ভৱনৰ এটি কোঠাতে কেইবাজনো ঈশ্বৰ অংশী মহত্মাক আমি দৰ্শন কৰিছিলো। ইয়াৰ ওচৰতে সৈন্যবাহিনীৰ ডুখন হেলীপেড আছে। পৰ্বতৰ নামনি ভাগত মন্দিৰ আকৃতিৰ অনেক সৰু সৰু গুহা আমি দেখিবলৈ পাইছিলো। গুহাবোৰত ঋষিতুল্য সন্ত সকলে ধ্যান কৰি থকা দেখিছিলো। যাত্ৰীৰবাবে কেইবাখনো ধৰ্মশালা আছে। ছয়মাহ কাল বৰফে ঢাকি ৰখা এই পাহাৰবোৰত গছ-গছনি আৰু ঘাহ বন নোহোৱা বাবে বনৰীয়া পশু পক্ষী আমি দেখিবলৈ পোৱা নাছিলো। ইয়াত মানুহৰ বসতি সেৰেঙা আছিল আৰু যাত্ৰী সকলক উদ্দেশ্য কৰিয়ে ৬ মাহ কাল তেওঁলোকে তাত

বসবাস কৰা যেন অনুমান হৈছিল। প্ৰায়বোৰ ঘৰ ইটাৰে তৈয়াৰী আছিল। মন্দিৰৰ কাষতে বিভিন্ন সামগ্ৰীৰ দোকানবোৰ আছে। পাহৰুৱা তিৰোতাবোৰে কোৰেৰে মাটি চহাই আলু আৰু মাকৈৰ খেতি কৰা দেখিছিলো। সকলো সময়তে চাৰিওফালে এটা শান্ত পৰিবেশ বিৰাজ কৰা আমি দেখিবলৈ পাইছিলো। আমি এই ঠাইত তিনি দিন আছিলো। তিনি দিনৰ অন্তত ৰুদ্ৰপ্ৰয়াগ হৈ কেদাৰনাথ দৰ্শনৰ উদ্দেশ্যে বাছেৰে আমি প্ৰত্যাৱৰ্ত্তন যাত্ৰা আৰম্ভ কৰিছিলো। এইছোৱা পথৰ দূৰত্ব প্ৰায় ২৩৭ কিঃ মিঃ আছিল। প্ৰায় ১২ ঘণ্টাৰ মূৰত আমি সন্ধিয়া ৬-৩০ বজাত গৌৰীকুণ্ড পাই-ছিলোগৈ। বাটত অগস্ত্য মুনিৰ মন্দিৰ, তুঙ্গনাথ, উখিমঠ, নালাচটী, গুপ্তকাশী ঠাইবোৰ দৰ্শন কৰি গৈছিলো। ৰাতি গৌৰীকুণ্ডৰ ধৰ্মশালাত থাকি কেদাৰধামৰ পাণ্ডাৰ পৰা জানিব পাৰিলো যে মন্দিৰলৈ ১৪ কিঃ মিঃ দূৰ আৰু ৬,৫০০ ফুট ওখ। কোনো প্ৰকাৰৰ যান বাহন নচলে। আমি মন্দিৰলৈ যোৱাৰ উপায় বিচৰাত পাণ্ডাই আমাক চাৰি প্ৰকাৰৰ উপায়ৰ কথা কৈছিল। যাত্ৰীসকলে খোজ কাঢ়ি, কাণ্ডীত উঠি (এজন লোকে পিঠিৰফালে খণ্ডাৰাত তুলি নিয়ে) ঘোঁৰাত উঠি আৰু দাণ্ডীত উঠি (চাৰিজনে এজনক কান্ধেৰে কঢ়িয়াই নিয়ে) যাব পাৰে। পিছদিনা উষাকালতে গৰম পানীৰ কুণ্ডত স্নান কৰি গৌৰীকুণ্ডত সেৱা জনাই আমাৰ সহযাত্ৰী বুঢ়ীজনীক কাণ্ডিত তুলি দি আমি ছয়জনে ঘোঁৰাৰে যাত্ৰা আৰম্ভ কৰিছিলো। ঘোঁৰাৰে গৈ থাকোতে ভাগৱতত উল্লেখ থকা কুকুৰ চণ্ডাল গৰ্দভৰো আত্মাৰাম পদ ফাকি মনত পৰিছিল। ঘোঁৰাটোকে আত্মাৰাম জ্ঞান কৰি গৈ গৈ প্ৰায় চাৰি ঘণ্টাৰ মূৰত পুণ্যভূমি কেদাৰধাম পাইছিলোগৈ। মন্দিৰ অভিমুখে গৈ থাকোতে বাটতে ঘোঁৰাৰখীয়া ল'ৰাটোৱে আমাক কেদাৰধামৰ পৰা ওভতি অহা আচাৰ্য্য ৰমানন্দ নাথজীক দেখুৱাই দিছিল। তেখেত এজন সিদ্ধ পুৰুষ। প্ৰবাদ আছে যে তেখেতে খালি ভৰিৰে খোজ কাঢ়ি গলেও ভৰিৰ তলুৱাত মাটি নালাগে। আমি ঘোঁৰাৰ ওপৰৰ পৰা নমস্তে জী বুলি হাতজোৰ কৰি প্ৰণাম



জনাইছিলো আৰু তেখেতে শান্তিভৱ শান্তিভৱ বুলি আমাক আশীৰ্বাদ দিছিল।

কেদাৰধামৰ পুণ্যভূমিত পদাৰ্পণ কৰি নিজকে কৃত্য কৃত্য মানিছিলো। মন্দিৰ নিৰ্মাণ সম্পৰ্কে প্ৰবাদ আছে যে পাণ্ডৱ সকলে কুৰুক্ষেত্ৰ যুদ্ধৰ শেষত গোত্ৰহত্যা পাপৰ পৰা নিস্কৃতি পোৱাৰ বাবে উপায় বিচৰাত নাৰদৰ পৰামৰ্শমতে পাণ্ডৱ সকলে বিশ্বকৰ্মাৰ হতুৱাই এই মন্দিৰ নিৰ্মাণ কৰাই দিছিল। মন্দিৰৰ কলচিভাগ সোণৰ আৰু বেৰবোৰ শিলেৰে নিৰ্মিত। দেখিবলৈ অতি ধুনীয়া। পাণ্ডৱ সকলে এই মন্দিৰত পূজা কৰিয়ে স্বৰ্গাৰোহণ কৰিছিল।

পাণ্ডাৰ সহায়ত আমি মন্দিৰত প্ৰৱেশ কৰি ভাৰত তথা বিশ্বৰ একমাত্ৰ শিৱৰ স্বয়ম্ভু লিংগ দৰ্শন কৰিছিলো আৰু বিধিগতভাৱে পূজা অৰ্চনা কৰি শিৱলিংগ আলিঙ্গন কৰি এক বিমল আনন্দ উপভোগ কৰিছিলো। মন্দিৰৰ ভিতৰত অন্যান্য প্ৰতিমাও আছে। ভগৱান কেদাৰনাথৰ বিগ্ৰহ আন আন শিৱলিংগৰ দৰে নহয়। ই শ্যামবৰ্ণৰ বিশাল শিলাখণ্ড, দীঘল আৰু ওখ। শাওণ মাহৰ প্ৰত্যেক সোমবাৰে ব্ৰহ্মকমল ফুলেৰে এই মন্দিৰত পূজা হয়। ব্ৰহ্মকমল ফুলৰ উপৰিও ভস্ম, বেলপাত আৰু চন্দনৰ দ্বাৰাও পূজা অৰ্চনা কৰা হয়। মন্দিৰৰ সমুখত থকা যাড় গৰুৰ মূৰ্তিটোৱে মন্দিৰৰ শোভা বৰ্দ্ধন কৰি আছে।

কেদাৰনাথৰ মন্দিৰ এপ্ৰিল মাহৰ পৰা অক্টোবৰ মাহলৈ খোলা থাকে। বাকী ৬ মাহ কাল বৰফে ঢাকি ৰখা বাবে মন্দিৰ বন্ধ থাকে। এই সময়ছোৱাত নামনিৰ উখি মঠত পূজা কৰা হয়। ফাগুন মাহত মন্দিৰ বৰফে ঢাক খাই ৰখা বাবে ইয়াত শিৱৰাত্ৰি উৎসৱ পালন কৰা নহয়।

আবেলি ৪ বজাত গৌৰীকুণ্ড অভিমুখে ৰাওনা হৈছিলো আৰু ৬-৪৫ বজাত গৌৰীকুণ্ড পাইছিলোহি। তাতে দুই দিন থাকি বাছেৰে ঋষিকেশলৈ বুলি যাত্ৰা কৰিছিলো। সেইদিনাই আবেলি

আমি ছয় বজাত ঋষিকেশ পাইছিলো। ঋষিকেশত আমি জয়ৰাম সংস্কৃত মহাবিদ্যালয়ৰ ধৰ্মশালাত আছিলো। উক্ত বিদ্যালয়ত কৰ্মচাৰী ওৰফে সংস্কৃত পঢ়ি থকা উজনি অসমৰ শ্ৰীমহেশ্বৰ উপাধ্যায় নামৰ ল'ৰা এজনে আমাক যথেষ্ট সহায় কৰিছিল। আমি তাতে দুই দিন থাকি প্ৰাচীন মঠ-মন্দিৰবোৰ দৰ্শন কৰিছিলো।

ঋষিকেশৰ পৰা দুই কিলোমিটাৰ দূৰত ৰাম ঝুলা আৰু তিনি কিলোমিটাৰ দূৰত লছমন ঝুলা নামেৰে গংগাৰ ওপৰত খুটাবিহীন দুখন দলং দৰ্শনীয়। লোহাৰ ডাঙৰ ৰচিৰে নিৰ্মিত এই দলং দুখন দীঘলে ৪৫০ ফুট, বহলে ১০ ফুট আৰু পানীৰ পৰা ৭০ ফুট ওখত নিৰ্মাণ কৰা হৈছে। ইয়াৰ কাৰুকাৰ্য্য দেখিলেহে বিশ্বাস কৰিব পাৰি।

গংগাৰ দক্ষিণ পাৰে বহুতো সৰু বৰ মন্দিৰ আছে যদিও ইয়াৰ ভিতৰত ৰাম মন্দিৰ, লক্ষ্মণ মন্দিৰ আৰু গংগা মন্দিৰ বিখ্যাত আৰু আকৰ্ষণীয়। এই মন্দিৰৰ ভিতৰত নানা দেৱ-দেৱীৰ মূৰ্তি আছে। শীৰ্ষ ভাগত শিৱলিংগত পূজা অৰ্চনা কৰা হয়।

প্ৰবাদ আছে যে ৰাৱণ বধৰ পিছত ৰামচন্দ্ৰই ৰাম ঝুলাৰ ওচৰতে প্ৰায়চিত্ত স্বৰূপ তপস্যা কৰিছিল আৰু লক্ষ্মণেও লক্ষ্মণ ঝুলাত প্ৰায়চিত্ত স্বৰূপ তপস্যা কৰিছিল। ইয়াৰ উপৰিও ত্ৰিবেনী ঘাট, ভৰত মন্দিৰ, স্বৰ্গাশ্ৰম, পৰমাৰ্থ নিকেতন, শিবানন্দ আশ্ৰম আদি দৰ্শনীয় অনেক ঠাই আছে। আমি ইয়াত দুই দিন আছিলো। হৰিদ্বাৰ আৰু ঋষিকেশত থকা আটাইকেইদিনে আমি গংগাত স্নান কৰিছিলো আৰু সন্ধিয়া পৰত শত সহস্ৰ ভক্তবৃন্দৰ লগত গংগা আৰতি দৰ্শন কৰি এক অমিয় আনন্দ উপভোগ কৰিছিলো।

ইয়াৰ পৰা আমি বাছেৰে দিল্লীলৈ আহিছিলো আৰু দুই দিন দিল্লীত থাকি ইয়াৰ ন-পুৰণি স্মৃতি চিহ্নবোৰ দৰ্শন কৰি ৰেলগাড়ীৰে আহি নিৰ্বিঘ্নে গুৱাহাটী পাইছিলোহি। আমাৰ এই যাত্ৰা মধুময় আৰু সফল হোৱা বুলি আমি ভাবিছো।

॥ গুৰু কৃপাহি কেৱলম্ ॥ ⊙



ওঁ

# মাধৱদেৱৰ নাটত শিশু কৃষ্ণ

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰধান শিষ্য শ্ৰীমাধৱদেৱে গুৰুজনাৰ উদ্দেশ্য আগত ৰাখি শ্ৰীকৃষ্ণৰ চৰিত্ৰ জন-সমাজৰ মাজত ব্যাপকভাৱে প্ৰচলন কৰিবলৈ সৰল আৰু প্ৰাঞ্জল ভাষাত বৰগীত আৰু নাটবোৰ ৰচনা কৰে। মাধৱদেৱৰ নামত ৯ খন অঙ্কীয় নাট পোৱা যায়। কিন্তু তাৰ ভিতৰত ৫ খনহে প্ৰকৃততে তেওঁৰ আৰু বাকী চাৰিখন তেওঁৰ নাম উল্লেখ কৰি আন কোনোবাই লিখা বুলি সন্দেহ কৰাৰ থল আছে।

মাধৱদেৱৰ নাট কেইখন হ'ল—অৰ্জুন ভঞ্জন, চোৰ ধৰা, পিম্পৰা গুচোৱা, ভূমি লোটোৱা, ভোজন বিহাৰ। আৰু সন্দেহ কৰা নাট কেইখন হ'ল—ব্ৰহ্মামোহন, ভূষণ হৰণ, ৰাস ঝুমুৰা আৰু কোটোৰা খেল। অৱশ্যে অৰ্জুন ভঞ্জন নাটৰ বাহিৰে বাকী কেইখন নাটকক ঝুমুৰাহে বোলা উচিত। কাৰণ কম ঘটনা প্ৰধান সমাবেশ থকা গীত প্ৰধান নাটবোৰক ঝুমুৰা বুলিব পাৰি।

মাধৱদেৱৰ নাটবোৰত বালকৃষ্ণৰ শিশুসুলভ কাৰ্য্যাৱলীয়ে প্ৰকাশ-মান হৈ উঠিছে। তেওঁৰ গোটেই কেইখন নাটৰ বিষয়বস্তু শ্ৰীকৃষ্ণৰ শিশুলীলা। ডঃ বাণীকান্ত কাকতিদেৱে বৈষ্ণৱ সাহিত্যত শ্ৰীকৃষ্ণৰ স্থান নিৰ্ণয় কৰিবলৈ গৈ এইদৰে কৈছে— "অসমীয়া বৈষ্ণৱ সাহিত্যত শ্ৰীকৃষ্ণৰ শিশুলীলাই বঙলা বৈষ্ণৱ সাহিত্যৰ ৰাধাকৃষ্ণৰ লীলাৰ অনুৰূপ ঠাই অধিকাৰ কৰি আছে।" শ্ৰীধৰ কন্দলীয়ে কেৱল 'কাণখোৱা' পুথিৰ অন্তৰ্গত দুটি মাথো কবিতা শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ

বিষয়ে লিখি থৈ গৈছে। কিন্তু মাধৱদেৱৰ লিখনিত শিশুকৃষ্ণৰ অসংখ্য ৰহস্যপূৰ্ণ চিত্ৰ, নাট আৰু গীত প্ৰকাশ পাইছে।

মাধৱদেৱে গীতৰ মাজেৰে শ্ৰীকৃষ্ণৰ বাল্য চৰিত্ৰ প্ৰকাশ কৰে যদিও তাতে সন্তুষ্ট নাথাকি নাটবোৰতো বিস্তৃতভাৱে নানা ৰসৰঞ্জিত কৰি কৃষ্ণৰ শিশুলীলা কীৰ্ত্তন কৰিছে। মাধৱদেৱ ভক্তই হওঁক বা কবিয়ে হওঁক তেওঁৰ এইটো বিশেষত্ব যে তেওঁ শ্ৰীকৃষ্ণৰ হয় বাৎসল্য ৰস নাইবা দাস্য ভক্তিৰ গৌৰৱ কীৰ্ত্তন কৰে। চোৰধৰা, পিম্পৰা গুচোৱা আদি ধেমেলীয়া নাটবোৰত বাৎসল্য প্ৰেমৰ ভিতৰেদি শ্ৰীকৃষ্ণৰ শিশুলীলা কীৰ্ত্তন কৰিছে।

মাধৱদেৱ বিষয় (সংসাৰ) বৈৰাগী চিৰকুমাৰ আছিল। সেইবাবে তেওঁৰ লিখনীত আদি ৰসাত্মক নাইবা চিত্তোন্মাদক কোনো ৰসৰ উন্মেষ পোৱা নাযায়। প্ৰকৃত যোগী-সন্নাসীবোৰে সাংসাৰিক মানুহৰ লগত কথা বতৰা পাতিব লাগিলে অপত্যস্নেহ সূচক আই-বোপাই সম্বোধন কৰে। মনঃতত্বৰ সেই একেই প্ৰণালী অনুসাৰে মাধৱদেৱৰ মনতো বাৎসল্য প্ৰেমে বিভিন্ন ৰসৰ ঠাই অধিকাৰ কৰি আছিল। যি কি নহওক পুৰণি অসমীয়া সাহিত্যত মাধৱদেৱে বাৎসল্য ৰস যি ভাৱে প্ৰকাশ কৰিছে সমসাময়িক ভাৰতৰ আন বৈষ্ণৱ কবি সকলৰ লিখনীত শিশুলীলা এনে গভীৰ আৰু ব্যাপকভাৱে বিকাশ পোৱা যেন নালাগে।

চোৰধৰা আৰু পিম্পৰা গুচোৱা ঝুমুৰা দুখনৰ বিষয়বস্তু ভাগৱত নাইবা হৰি বংশৰ পৰা গ্ৰহণ কৰা হোৱা নাই। কাৰণ সেইবোৰ গ্ৰন্থত এই ধৰণৰ বৰ্ণনা পৰিদৃষ্ট নহয়। অৱশ্যে পুৰাণ আদিত কৃষ্ণৰ বালসুলভ লীলা আৰু চল-চাতুৰীৰ দুই এটা বৰ্ণনা নথকা নহয়। বোধহয় সেই ঘটনাৰাজীৰ লগত সম্বন্ধ স্থাপন কৰি মাধৱদেৱে এই ঝুমুৰা দুখনৰ বিষয়বস্তু গ্ৰহণ কৰিছে।

চোৰধৰা ঝুমুৰাত মাধৱদেৱে শ্ৰীকৃষ্ণৰ চৰিত্ৰ এটি টেঙৰ গাঁৱলীয়া ল'ৰা হিচাপে অঙ্কিত কৰিছে। শ্ৰীকৃষ্ণ এফালে যেনেকৈ ননীচোৰ



আনফালে কথাতো বৰ চতুৰ। শ্ৰীকৃষ্ণই প্ৰতিদিনে গোপিনীহঁতৰ ঘৰত সোমাই মাখন চুৰি কৰি খায় আৰু গোপীসকলক নানা চল-চাতুৰী কথা কৈ গুচি যায়। এদিনাখন গোপিনীৰ ঘৰত মানুহ নোহোৱা দেখি আনদিনৰ দৰে লৱণু চুৰি কৰিবলৈ শ্ৰীকৃষ্ণই এজনী গোপিনীৰ ঘৰত সোমাল। তেনে অৱস্থাত চতুৰ গোপিনীয়ে দুৱাৰ বন্ধ কৰি কৃষ্ণক চোৰ ধৰাৰ মানসেৰে আন আন গোপীসকলক মাতিলে। কাৰণ গোপিনীসকলে টেঙৰ কৃষ্ণক চোৰ বুলি ইমান সহজতে সাব্যস্ত কৰিব নোৱাৰে। আনকি ধৰিবও নোৱাৰে। বৰং চতুৰ কৃষ্ণৰ হাতত পৰি গোপিনীৰ লাঞ্ছনা হোৱাৰ ভয়হে বেছি। গোপিনীসকলে কৃষ্ণক লবণু চোৰ বুলি ৰাজপথলৈ আনিলে। শ্ৰীকৃষ্ণও পৰিমৰা বিধৰ ল'ৰা নহয়। কৃষ্ণ যে প্ৰকৃত চোৰ নহয় তাকে প্ৰমাণ কৰিবৰ বাবে তেওঁৰ লগৰীয়া গৰখীয়া দাম, সুদাম, বিশাল আদিক মাতিলে। গৰখীয়াসকল আহি কৃষ্ণক মিছা অপমান দিয়া হেতুকে গোৱালীসকলক ধমক দিলে। কৃষ্ণই গৰখীয়াসকলক নিজৰ ফলীয়া হোৱা দেখি সাহস পাই থিতাতে মিছা মাতিলে। দুষ্ট, শঠ গাঁৱলীয়া ল'ৰাৰ দৰে তেওঁ যে লৱণু চুৰি কৰিবলৈ গোপিনীৰ ঘৰত সোমোৱা নাই বৰং ৰাজপথত আন আন লগৰীয়া সকলৰ লগত খেল খেলিহে আছে, গোপিনীসকলেহে যে তেওঁক মিছাকৈ কলঙ্ক দিয়াৰ অভিপ্ৰায় কৰিছে তাকে প্ৰমাণ কৰিবলৈ শ্ৰীকৃষ্ণই অগ্ৰসৰ হ'ল। শ্ৰীকৃষ্ণই কলে—'আহে গোৱাৰীসৱ হামো বালকসৱ সহিতে ৰাজমাৰগ সহ খেলাইতে থিক। তোহোসৱ আমাক কলঙ্ক দেসি" অৱশেষত টেঙৰ কানাইৰ মেৰপাকত পৰি গোৱালীসকলেহে দোষত পৰিব লগা হ'ল। গোপীসকলে যাতে ভয় খায় তাৰ কাৰণে কৃষ্ণই তেওঁলোকক কৈছে—"আহে ঢাণ্ডী গোৱাৰীসৱ, হামাক কলঙ্ক দিয়ে তোহোসৱ কি এৰাইতে চাৱ? তোৰাসৱক আজু মাৰক আগে নিয়া ভেটবো। তব হামাৰ বাত বুঝব।" আনকি কৃষ্ণৰ বাক্ চাতুৰীত পৰি গোপিনীসকল নিজে নিজেহে লৱণু চুৰুণী হব লগা হ'ল।

ওলটে চোৰে গিৰিকে বান্ধিলে। গোপীসকলে শ্রীকৃষ্ণক বলে নোৱাৰি অৱশেষত সিহঁতৰ কথা উঠাই লব লগা হ'ল আৰু কৃষ্ণক ঘৰলৈ যাব দিব লগা হ'ল। কিন্তু কৃষ্ণও সহজতে সেও মানা ভকত নহয়। তেওঁ চুঙা চাই সোপা দিব জানে। গোপিনীসকলে এৰিলেও তেওঁ নেৰে। এটা চুক্তিত তেওঁ গোপিনীসকলক এৰি দিবলৈ সন্মত হ'ল। সেইটো হ'ল গোপিনীসকলে তেওঁক লৱণু খাবলৈ দিব লাগিব। কৃষ্ণই ক'লে—"আহে ঢাণ্ডী গোৱাৰীসৱ, তোহো যব ছোড়হ, হামো তোহোক নাহি ছাড়ো। তব ছোড়ি যব হামকি কিছু লৱণু দেহ।" তেওঁ নাচিলে গোপিনীসকলে লৱণু দিবলৈ সন্মত হ'ল। কৃষ্ণও গোপীসকলক মনোৰথপূৰ্ণ কৰিবলৈ নাচিবলৈ ধৰিলে। গাঁৱলীয়া চহা ল'ৰা এটাক যেনেকৈ কিবা এটা খোৱা বস্তুৰে প্রলোভিত কৰিব পাৰি থিক তেনেকৈ কৃষ্ণও লৱণুৰ আশাত গোপিনীসকলৰ অনুৰোধ ৰক্ষা কৰিলে। কিছু সময় নচাৰ পিছত ভাগৰ লগা বুলি কৈ তেওঁ পুনৰ লৱণু খুজিলে—"আহে গোৱাৰীসৱ হামু নৃত্য কৰিয়ে বহুত শ্রম পাৱলো। হামাক কিছু লৱণু দেহ। হামু লৱণু ভোজন কৰিয়ে নৃত্য কৰব।" গোপীসকলে পুনৰ তেওঁক ভালকৈ নাচিবলৈ ক'লে। ভালদৰে নাচিলেহে লৱণু দিব। লৱণুৰ আশাত তেওঁ পুনৰ নাচিবলৈ ধৰিলে।

ইফালে কৃষ্ণক বহুতো সময় নেদেখি দামুৰি হেৰোৱা গাইজনীৰ দৰে যশোদাই তেওঁক বিচাৰি চলাথ কৰিবলৈ ধৰিলে। শেষত বাটকুৱাৰ পৰা পোৱা অনুসন্ধান মৰ্মে নৃত্যৰত বালকৃষ্ণক গোৱালী পাৰাত যশোদাই লগ পালেহি। তেওঁক দেখাৰ লগে লগে যশোদাৰ সৰ্বশৰীৰ জুৰ পৰিল। যশোদাই তেওঁক আথে বেথে কোলাত তুলি ললে। কৃষ্ণইও মাকৰ স্তন পান কৰি কান্দি কান্দি গোপিনী সকলৰ সকলোবোৰ কথা কৈ নিজৰ নিৰ্দোষীতাৰ প্ৰমাণ কৰিলে। যশোদাই আলাসৰ লাডু কৃষ্ণৰ মুখৰ পৰা সকলো শুনি গোপীসকলক গালি শপনি পাৰি খেদালে। তেওঁক ঘৰলৈ নি আতো-পুতৌকৈ



যশোদাই ভাত খুৱালে। এইদৰে 'চোৰধৰা' নাটত মাধৱদেৱে কৃষ্ণক এজন গাঁৱলীয়া টেঙৰ ল'ৰা হিচাপে ৰূপায়িত কৰিছে।

'পিম্পৰা গুচোৱা' ঝুমুৰাতো মাধৱদেৱে শ্রীকৃষ্ণৰ চৰিত্র এটি চতুৰ গাঁৱলীয়া ল'ৰা হিচাপে চিত্রিত কৰিছে। শ্রীকৃষ্ণ এপিনে যেনেকৈ মাখন চোৰ তেনেকৈ কথাতো অতি চতুৰ। মাখন চুৰ কৰি খাবলৈ কৃষ্ণ গোৱালীৰ ঘৰত সোমাইছে। গোৱালীয়ে কোন বুলি সোধাত টেঙৰ কৃষ্ণই ঘপৰাই বলভদ্রৰ কনিষ্ঠ ভাই বুলি চিনাকি দিছে। কাৰণ কৃষ্ণই জানে যে বলভদ্র বৰ সাধু ল'ৰা। তেওঁ গোৱালী সকলৰ অতি মৰমৰ। সাধু ল'ৰাৰ ভায়েক যেতিয়া কৃষ্ণও সাধু হোৱাটো স্বাভাৱিক। কিন্তু গোৱালীৰ ঘৰত সোমাই আশা এৰা নাই। লৱণুৰ কলহটোত হাত দিছে। গোপিনীয়ে হাত দিয়াৰ কাৰণ সোধাত কৃষ্ণই পিপৰা গুচোৱাৰ কাৰণে হাত দিছে বুলি মিছা মাতিলে। আঙলী গোপীয়ে তেওঁৰ কথাকে বিশ্বাস কৰিলে। কিন্তু নিজৰ শুই থকা ল'ৰাক জগোৱাৰ কাৰণ সোধাত কৃষ্ণই কৈছে যে সেইজন ল'ৰাৰ লগত তেওঁ একেলগে গৰু চাৰে। কৃষ্ণৰ এটি দামুৰি হেৰাইছে। দামুৰিটোৰ খবৰ সুধিবৰ কাৰণেহে তেওঁ সেই ল'ৰাটোক জগাইছে। ইতিমধ্যে কৃষ্ণই লৱণু খাই শেষ কৰিলে। মুখৰ পৰা লৱণুৰ গোন্ধ ওলোৱাৰ কাৰণ সোধাত তেওঁ ওলোটাকৈহে গোপীক লৱণু চুৰ কৰি খোৱা বুলি কৈছে 'হে গোৱাৰী, তুহো বড়ি দাৰুণ হৃদয়। আপুনি জিহ্বা ৰাখিতে নোৱাৰি আপোন গৃহে লৱণু খাৱলি আৰে ভাতাৰক ভয়ে হামাক অপযশ দেৱস।" কিন্তু এইবাৰ কানাইৰ চাতুৰী কথা সহ্য কৰিবলৈ টান পাই গোপিনী সকলে যশোদাক গোচৰ দিবলৈ গ'ল। কেবাজনীও গোপীয়ে কৃষ্ণই যে তেওঁলোকৰ ঘৰলৈ মাজে মাজে মনে মনে গৈ লৱণু চুৰ কৰি খায়, লৱণু খোৱা বাচন-বৰ্ত্তনবোৰ ভাঙি-চিঙি তহিলং কৰে ইত্যাদি নানা অভিযোগ যশোদাৰ আগত দিলে। তেতিয়া যশোদাই গোপী সকলৰ কথাত পতিয়ন গৈ কৃষ্ণক কলৈকো নেযাবলৈ নিৰ্দেশ দিলে।

আৰু লগতে ইয়াকো ক'লে যে কৃষ্ণৰ বাপেক ৰজা নন্দ আৰু যশোদা ৰাণী স্বয়ং তেওঁৰ মাক। তেওঁলোকৰ ঘৰত লৱণুৰ অভাৱ নাই। তেনে ক্ষেত্রত কৃষ্ণই কঙাল ছৱাল সদৃশ হৈ মাখন বিচাৰি ঘুৰি ফুৰা ভাল কাম হোৱা নাই। এইদৰে যশোদাই কৃষ্ণক নানা কটু কথা কবলৈ ধৰিলে।

কৃষ্ণও কিন্তু কম নহয়। যশোদাৰ গালি শুনি তেওঁ মনে মনে নাথাকিল। তেওঁ যশোদাৰ ওচৰত অভিযোগ দি কলে যে সামান্য কলহ এটা ভঙা নাইবা লৱণু খোৱা অপৰাধতে তেওঁক এনেভাৱে গালি পাৰা উচিত হোৱা নাই। যশোদানো কি ডাঙৰ মানুহৰ জীয়েক যে তেওঁ কৃষ্ণৰ সামান্য দোষ এটাকে সহ্য কৰিব নোৱাৰে। অপুত্রক থাকি ল'ৰা এটি পাবৰ কাৰণে কিমান বছৰ তপ কৰি আছিল। কৃষ্ণ জন্মিহে যশোদাৰ অপুত্রক অপযশ দূৰ কৰিলে। তদুপৰি তেওঁ ৰজাৰ কুমাৰ হৈও গৰু চাৰিহে ভাত খাইছে।

ৰজাৰ কুমাৰ হৈয়া গৰু চাৰি খাঞো ভাত
দুৰ্গম শঙ্কটময় বনে।
তথাপিতো আমি ভাল বোলাইবাক নপাৰিলো
আৰু ভাল বোলাইবো কেমনে॥

ইয়াৰ পিছত কৃষ্ণই মাকক ভয় খুৱাইছে যে যদি তেওঁক তেনেকৈ হ'ক নহ'ক গালি পাৰি থাকে তেওঁ তেনেহলে মথুৰালৈ গুচি যাব।

ভোজন বিহাৰ ঝুমুৰাখনিতো মাধৱ পুৰুষে শ্রীকৃষ্ণৰ মোহিনী আৰু চাতুৰী গুণ ফুটাই তুলিছে। গৰখীয়া থলিলৈ গৈ বালিভাত খোৱাৰ সময়ত অঁতৰি যোৱা গৰুবোৰ চাই আহিবলৈ কৃষ্ণ যাওতে ব্রহ্মাই ছল কৰি গৰু আৰু গৰখীয়া উভয়কে লুকুৱাই থৈছিল। কিন্তু মাহ চেৰেক পিছত ব্রহ্মাই নিজেই কৃষ্ণৰ দ্বাৰা মোহিত হৈ সিবোৰক ফিৰাই দিছিল।



ভূমি লোটোৱা ঝুমুৰাত মাধৱদেৱে শ্রীকৃষ্ণ যে এটি ঔবিজলুৱা অঘাইটং আৰু অতপালি কৰি ফুৰা ল'ৰা তাকে সুন্দৰভাৱে ফুটাই তুলিছে। কৃষ্ণই ভাণ্ডত থকা লৱণু খাই শেষ কৰাত মাক যশোদা আহি পোৱাত ফাঁকি দি কোনোবাই লৱণু খাই শেষ কৰা বুলি মাটিত বাগৰি বাগৰি কান্দিছে। যশোদাই শেষত পুতেকৰ আবদাৰ এৰাব নোৱাৰি মাটিত বাগৰি থকা পুতেকক তুলি লৈ গাৰ ধুলি বোৰ জাৰি-জোকাৰি কোলাত বহুৱাই লৈ হৰিপূজাৰ কাৰণে বেলেগকৈ থোৱা লৱণু কৃষ্ণক খাবলৈ দিহে ৰক্ষা পৰিছে।

অৰ্জুন ভঞ্জন নাটত মাধৱদেৱে শ্রীকৃষ্ণৰ ভেম-অভিমান আৰু চাতুৰী সুন্দৰভাৱে ফুটাই তুলিছে। দধি মথি থকা যশোদাই যেতিয়া গম পালে যে পাত্র ভৰাই তপতোৱা গাখীৰ উতলি পৰিব ধৰিছে তেতিয়া যশোদাই স্তন পান কৰি থকা কৃষ্ণক মাটিত থেকেচা মাৰি থৈ ভিতৰলৈ ল'ৰ মাৰিলে। অভিমানী কৃষ্ণই গাখীৰ, লৱণু থোৱা পাত্রবোৰ ভাঙি তহিলং কৰিলে। পিছত যশোদা আহি এনে কাৰ্য্য দেখি খঙত একো নাই হৈ হাতত এচাৰি লৈ খেদি ফুৰিলে। বহু কষ্টৰ মূৰত বালকৃষ্ণক থাপ মাৰি উৰালত বান্ধি থৈ নিজৰ কামত লাগিল।

ইফালে দুষ্ট কৃষ্ণই ককালত বন্ধা উৰালৰ সৈতে গৈ যমলাৰ্জুনত লগাই দি গছ দুইজোপা উভালি পেলালে। পিছত যমলাৰ্জুনৰ তলত কৃষ্ণক পাই নন্দ ৰজাই যশোদাৰ এনে নিষ্ঠুৰতাৰ বাবে "দাসীক দাসী বান্দী, ৰাক্ষসতো অধিক নাগিনী" আদি অনেক গালি পাৰি মাৰিবলৈ খেদি গ'ল। যশোদাও কিন্তু এলাপেচা বিধৰ তিৰোতা নহয়। সাক্ষাৎ উগ্র চণ্ডী। নন্দৰ কটা মুখত কলাখাৰ দিবলৈ যশোদায় উগ্র মূৰ্ত্তি ধাৰণ কৰি উত্তৰ দিলে— " আহে বুঢ়িয়া কাহেক আগে এছন ৰাগ দেখাৱ, তোহাৰি আজি ভাবনা চুৰ কৰব, তুহোঁ গৃহেৰ কোন অধিকাৰ, ইহাৰ ভাল মন্দ কি জানস, হামু গৃহেৰ গৃহিণী, সব অধিকাৰ হামাৰ।" এনেদৰে বাল কৃষ্ণই নন্দ যশোদাৰ মাজত এখন গৃহ কন্দলৰ সৃষ্টি কৰি ৰং পাইছে।

মহাপুৰুষ মাধৱদেৱৰ নামত আৰু চাৰিখন ঝুমুৰা আমি পাওঁ। কিন্তু ঝুমুৰা কেইখনৰ চৰিত্ৰৰ ফাললৈ চাই মাধৱদেৱৰ ৰচিত যেন নেলাগে। কাৰণ মাধৱদেৱৰ কৃষ্ণ হ'ল চিৰন্তন শিশু। কবিজনাই কৃষ্ণৰ বাল্য ৰূপহে দেখিছে। আনহাতে বাল্য চৰিত্ৰৰ মাজেদি অলৌকিক কাৰ্য্যৰ বৰ্ণনা দিছে। কালিৰাম মেধি ডাঙৰীয়াৰ মতে মাধৱদেৱে তেওঁৰ নাট, ঝুমুৰা আৰু বৰগীতত ৰাধা নামৰ তেনে কোনো নাৰী চৰিত্ৰক স্থান দিয়া নাই। তেনেস্থলত বাকী ঝুমুৰা কেইখনত ৰাধাৰ চৰিত্ৰ স্পষ্টভাবে দেখা দিছে। ৰাস ঝুমুৰাত কৃষ্ণক এজন চফল ডেকা ৰূপত ৰূপায়িত কৰিছে। তেওঁৰ প্ৰনয়িণী ৰাধা এজনী ষোড়শী কামাৰ্ত্তা যুৱতী।

ভূষণ হৰণ আৰু কোটোৰা খেলা ঝুমুৰা দুখনিত তেনে কোনো নাৰী চৰিত্ৰ নাই। কেৱল মাথো কৃষ্ণৰ ঐশ্বৰিক শক্তিৰ বৰ্ণনাৰ মাজেদি সমাপ্তি ঘটাইছে। উক্ত ঝুমুৰা কেইখনিক কালিৰাম মেধিয়ে প্ৰক্ষিপ্ত বুলিছে। ইয়াৰ দ্বাৰা আমি ভালদৰে বুজি পাওঁ যে মাধৱদেৱে ৰচনা কৰা নাট ঝুমুৰা কেইখনি হ'ল প্ৰচাৰ ধৰ্মী।

এইদৰে পৰমভক্ত কবি মাধৱদেৱে তেওঁৰ নাট আৰু ঝুমুৰা কেইখনিৰ জৰিয়তে শ্ৰীকৃষ্ণৰ চিৰচৰিত শিশু ৰূপৰ এটি মনোমোহা চিত্ৰ ডাঙি ধৰিছে।

শৰীৰেই সাৰ, নিজৰ ল'ৰা-তিৰোতা, ঘৰ-দুৱাৰকেই আপোন ভাবি ঐহিক সুখ লাভ আদিৰ বাবেই যি মত্ত সিজনৰ জীৱন নিস্ফল। —যোগোপনিষদ

ফুলপাত দি ভগৱানক পূজা কৰিলে যি ফল হয় ভগৱানক ভাবি মানুহক ভক্তি ভাবে সেৱা কৰিলেও ঠিক সেয়ে হয়।
—স্বামী বিবেকানন্দ



# পৰিব্ৰাজকৰ দৃষ্টিত অসম আৰু ভাৰত

অতীজ অসম আৰু ভাৰতৰ বিষয়ে সবিশেষ জানিবলৈ ধাৰাবাহিক নিৰ্ভৰযোগ্য বুৰঞ্জীৰ অভাৱত বুৰঞ্জীবিদ্ সকলে কিছুমান সঁজুলিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। সেইবোৰৰ ভিতৰত সাহিত্য, শিলালিপি, তাম্ৰলিপি, মুদ্ৰালিপি, প্ৰাচীন শিল্পকলাৰ নিদৰ্শন, ধ্বংসাৱশেষ আৰু পৰিব্ৰাজকৰ টোকাই প্ৰধান। কিন্তু বাকীবোৰৰ তুলনাত পৰিব্ৰাজকৰ টোকাকে শ্ৰেষ্ঠ বুলি কব লাগিব। যিহেতুকে ই স্বাক্ষ্স প্ৰমাণ। তদুপৰি এওঁলোকৰ টোকাই আন বুৰঞ্জীমূলক তথ্যপাতিকো পৰীক্ষা-নিৰীক্ষা কৰি চোৱাত সহায় কৰে।

সময়ে সময়ে ভিন্ ভিন্ দেশৰ পৰা অসম আৰু ভাৰতলৈ অনেক জনা ভ্ৰমণকাৰী আহি তেওঁলোকৰ সৰল আৰু পোনপটীয়া বিৱৰণেৰে অসম আৰু ভাৰত বুৰঞ্জীৰ ভৰাঁল চহকী কৰি থৈ গৈছে। ভাৰতলৈ তথা অসমলৈ অহা ভ্ৰমণকাৰীৰ ভিতৰত মেগাস্থিনিছ, ফাহিয়ান হিউয়েনচাং, নিকলোকণ্টি, আব্দুৰ ৰেজাক, পাট্ৰছ, বাৰবোছা, পায়েজ, আলবেৰুণী, ইবনবতুতা, আথেনিয়াচ নিকিতন, কেপ্টেইন উলিয়াম হকিন্স, চাৰ টমাচ ৰো, পেলচৰ্ট, টাভাৰ্নিয়াৰ, বাৰ্ণিয়াৰ, মানুচী, ৰাল্ফফিটচ, চাহাবুদ্দিন তালিছ, কেপ্টেইন ৱেলছ, টওচিন আদিৰ নাম বিশেষভাবে উল্লেখযোগ্য।

মেগাস্থিনিছ— মৌৰ্য্য যুগৰ শ্ৰেষ্ঠ শাসক চন্দ্ৰগুপ্ত মৌৰ্য্যৰ ৰাজত্ব কালত গ্ৰীক ৰাষ্ট্ৰদূত মেগাস্থিনিছ ভাৰতবৰ্ষলৈ আহে। তেওঁ মৌৰ্য্য সাম্ৰাজ্যৰ এটা মনোৰম বৃত্তান্ত আমাৰ কাৰণে থৈ গৈছে। তেওঁৰ

প্ৰণীত গ্ৰন্থ ‘ইণ্ডিকা’ৰ পৰা আমি মৌৰ্য্য যুগৰ সামাজিক অৱস্থা, লোক চৰিত্ৰ, শাসন প্ৰণালী আদি বিবিধ বিষয়ৰ নানা তথ্য জানিবলৈ পাওঁ। তেওঁৰ টোকাত পোৱা যায় যে সেই সময়ত মৌৰ্য্য সাম্ৰাজ্যৰ প্ৰাণকেন্দ্ৰ আছিল পাটলিপুত্ৰ। ই আছিল সোণ আৰু গঙ্গা নদীৰ সঙ্গমস্থানত। নগৰৰ বৰ্ণনা দিবলৈ গৈ তেওঁ লিখিছে যে নগৰখন দীঘে ন মাইল আৰু বহলে চাৰিমাইল জোৰা হাউলিৰে ই আছিল এখন ৰম্যপুৰী। নগৰৰ প্ৰাচীৰখনৰ গাত ৫৭০ টা ওখ স্তম্ভ, ৬৪ টা টোৰণ আৰু শ শ সৰু-সুৰা দুৱাৰ আছিল। ৰাজধানী পাটলিপুত্ৰ কাঠেৰে সজোৱা হলেও ইয়াৰ কাৰুকাৰ্য্য আৰু সৌন্দৰ্য্য অতি অনুপম আছিল।

কাষ্ঠ আৰু গৃহবোৰত জুই লাগিলে ব্যৱহাৰ কৰিব পৰাকৈ পানীৰ পাত্ৰ, জখলা, হাকোটা আৰু বিবিধ ধৰণৰ আৱশ্যকীয় সঁজুলি প্ৰতিজন গৃহস্থই মজুত কৰি ৰাখিছিল। ৰাস্তাত যিয়ে মৱলা পেলায় তাকে অৰ্থদণ্ড বিহা হৈছিল। ৰাজধানীৰ কাৰ্য্যাৱলী পৰিচালনা কৰিবলৈ ৰাইজৰ নিৰ্বাচিত এখন পৌৰসভা আছিল। ইয়াৰ সভ্য সংখ্যা আছিল ৩০ জন। পাঁচ জন সদস্যৰে ছয় টা সমিতিত ভাগ কৰা হৈছিল। এই সমিতিবোৰে চহৰৰ উদ্যোগ আৰু হস্ত শিল্প, পৰ্য্যটক আৰু তীৰ্থযাত্ৰীৰ সা-সুবিধা, জন্ম মৃত্যুৰ হিচাব, উৎপাদন, জনস্বাস্থ্য, বিত্ত, পানী যোগান, ফুলনি আৰু ৰাজহুৱা ঘৰ বাৰীৰ ওপৰত দৃষ্টি ৰাখিছিল। ন্যায় বিচাৰৰ অৰ্থে কাছাৰী আৰু আপীল আদালত আছিল। বিচাৰৰ ক্ষেত্ৰত ৰজা সৰ্বে সৰ্বা আছিল। সামৰিক বাহিনীৰ সৈন্যৰ সংখ্যা ছয় লাখৰো অধিক আছিল। মানুহ বিলাক সাত ভাগত বিভক্ত কৰা হৈছিল। দেশত চোৰ ডকাইত প্ৰায় নাছিল। যিকোনো উৎসৱৰ বাহিৰে সুৰাপান নিষেধ আছিল। দাসত্ব প্ৰথা নাছিল। তেওঁ ভাৰতীয় লোকৰ নৈতিক চৰিত্ৰ প্ৰশংসা কৰি গৈছে। মেগাস্থিনিচ ৰচিত ইণ্ডিকা গ্ৰন্থখন এতিয়া পোৱা নাযায়। কিন্তু কোনো এক অজ্ঞাত নাবিকে লিখা ‘পেৰিপ্লাচ অব দা ইৰিথি্ৰয়ান চি’ নামৰ কিতাপখনত ইণ্ডিকা গ্ৰন্থখনৰ বহুতো উদ্ধৃতি পোৱা যায়।



ফাহিয়ান—চীনা পৰিব্ৰাজক ফাহিয়ান দ্বিতীয় চন্দ্ৰগুপ্তৰ বা বিক্ৰমাদিত্যৰ ৰাজত্ব কালত ভাৰতবৰ্ষলৈ আহে। ভাৰতত ছয় বছৰ কাল থাকি ‘বিনয়পিটক’ নামৰ বৌদ্ধ ধৰ্মগ্ৰন্থ এখন সংগ্ৰহ কৰে। তেওঁ লিখি গৈছে যে সেই সময়ত মগধৰ লোকসকল সুখী আৰু সমৃদ্ধিশালী আছিল। দণ্ড বিধান মৃদু আছিল। প্ৰাণদণ্ড নহৈছিলেই। কৰ-কাটল লঘু আছিল। অশোকৰ ৰাজপ্ৰাসাদ দেখি ফাহিয়ানে বিস্ময় মানিছিল। ধৰ্মশালাবোৰত পথিক সকলক খাদ্যৰ যোগান ধৰা হৈছিল। ৰোগীবোৰক শুশ্ৰূষা কৰা চিকিৎসালয় আছিল। সাধাৰণ লোকে সুৰাপান নকৰিছিল। চণ্ডালবিলাকে সুৰাপান কৰাৰ অপৰাধত নগৰৰ বাহিৰত বাস কৰিবলৈ দিয়া হৈছিল। তেওঁ ভাৰতীয় লোকৰ নৈতিক চৰিত্ৰৰ প্ৰশংসা কৰিছিল।

ভাৰত ভ্ৰমণ শেষ কৰি ফাহিয়ান সিংহললৈ যায়। তাত দুবছৰ কাল কটাই বহুতো দুঃসহ ঘটনাৰ মাজেদি সাগৰ পথেদি চীনলৈ যায়। কিন্তু তেওঁৰ আন এজন সতীৰ্থ টাওচিঙে ভাৰতবৰ্ষৰ ওপৰত আৰু বৌদ্ধ ভিক্ষুক সকলৰ বিনয় গুণত মুগ্ধ হৈ ভাৰততে থাকি যায়।

হিউয়েনচাঙ—হৰ্ষবৰ্দ্ধনৰ ৰাজত্ব কালত চীন দেশৰ ভ্ৰমণকাৰী হিউয়েনচাঙ ভাৰতলৈ আহে। তেওঁ চৈধ্য বছৰ কাল ভাৰতৰ বিভিন্ন ঠাইত পৰিভ্ৰমণ কৰি যি অভিজ্ঞতা অৰ্জন কৰিছিল তাৰে বৃত্তান্ত তেওঁ ‘চি-য়ু-কি’ নামৰ পুথিত লিখি থৈ যায়। তেওঁ আছিল ভক্তি পৰায়ণ বৌদ্ধ। বৌদ্ধ ধৰ্মৰ সবিশেষ জনাই আছিল তেওঁৰ আগমণৰ কাৰণ। ভাৰতলৈ অহা সময়ত তেওঁৰ বয়স আছিল মাত্ৰ উনত্ৰিশ বছৰ। তেওঁ আছিল সুশ্ৰী আৰু ওখ। তেওঁৰ এই যাত্ৰাত চীনা সম্ৰাটে অনুমতি নিদিয়া সত্বেও তেওঁ বৌদ্ধ ভিক্ষুৰ গেৰুৱা বসন পিন্ধি গোবি মৰুভূমিৰ মাজেদি আহিছিল। বাটত তেওঁ টাচখণ্ড, চমৰখণ্ড, বাল্ক, খোটান, ঝাৰখণ্ড প্ৰভৃতি বহুতো বিখ্যাত চহৰ ভ্ৰমণ কৰি আহিছিল।

সম্রাট হৰ্ষৰ লগত তেওঁ বন্ধুত্ব কৰি প্ৰায় আঠ বছৰ কাল কটায়। চাঙ জনাৰ মতে সেই সময়ত হৰ্ষবৰ্দ্ধন প্ৰবল প্ৰতাপী, প্ৰজা বৎসল আৰু দানশীল ৰজা আছিল। প্ৰজাৰ ওপৰত কৰ কাটলৰ ভাৰ লঘু আছিল। দণ্ডবিধি কঠোৰ আছিল। তথাপিতো চোৰ ডকাইত আছিল। তেওঁৰ মতে ভাৰতীয় বিলাক ঠগ প্ৰবঞ্চক নাছিল। বেমাৰ-আজাৰ হ'লে সাত দিন লঘোণ দিয়াৰ নিয়ম আছিল। সেই সময়ত পাটলিপুত্ৰৰ গৌৰৱ লুপ্ত হৈছিল। কিন্তু ৰাজধানী কনৌজ অতি ধুনীয়া আৰু জকমকীয়া আছিল। হিউয়েনচাঙৰ সন্মানৰ কাৰণে হৰ্ষই কনৌজত এখন ধৰ্ম সম্মিলনীৰ আয়োজন কৰিছিল কনৌজৰ উৎসৱৰ শেষত হিউয়েনচাঙ হৰ্ষৰ লগত প্ৰয়াগলৈ যাত্ৰা কৰিছিল। হৰ্ষই প্ৰয়াগত শিকি কুম্ভমেলা, অৰ্দ্ধকুম্ভমেলা আৰু পূৰ্ণ কুম্ভমেলাৰ উৎসৱ পাতিছিল। এই উৎসৱবোৰত তেওঁ সাঁচি থোৱা সকলোবোৰ ধন মুক্তহস্তে দান কৰিছিল। তেওঁ নালন্দা বিশ্ববিদ্যালয়ৰ বিষয়ে বৰ্ণনা দি লিখিছে যে সেই যুগত নালন্দাই আছিল শিক্ষাৰ প্ৰধান কেন্দ্ৰ স্বৰূপ। ইয়াত দেশ বিদেশৰ দহ হাজাৰ ছাত্ৰই বিনা মাচুলে অধ্যয়ণ কৰিব পাৰিছিল। শিক্ষা বিষয়ত সাম্প্ৰদায়িকতা নাছিল। হিউয়েনচাঙে নিজেও ইয়াত অধ্যয়ণ কৰিছিল। হৰ্ষই এই বিদ্যালয়ৰ পৃষ্ঠপোষকতা কৰিছিল। ভাৰতত বহু বছৰ কটাই উত্তৰৰ পৰ্বতমালা পাৰ হৈ হিউয়েনচাঙে স্বদেশলৈ ঘূৰি গৈছিল। তেওঁ সিন্ধুত প্ৰায় বুৰ যাব লগা হৈছিল। বহুতো মূল্যবান গ্ৰন্থ নদীৰ সোঁতত হেৰুৱাব লগা হৈছিল। তথাপিতো হাতে লিখা অসংখ্য পুথি তেওঁ নিব পাৰিছিল। সেই পুথিবোৰ তেওঁ 'ছিয়ানফুটতাও' সম্ৰাটজনাৰ চেষ্টাত চীনা ভাষালৈ তৰ্জমা কৰিছিল।

কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ দিনত হিউয়েনচাঙ অসমলৈ আহে। ৰায় বাহাদুৰ কনকলাল বৰুৱাই তেওঁৰ 'Early history of Kamrup ত উল্লেখ কৰিছে— হিউয়েনচাঙ কামৰূপলৈ অহা ঘটনাটো অতি আমোদজনক। ভাস্কৰ বৰ্মণে তেওঁৰ পৰম বন্ধু হৰ্ষবৰ্দ্ধনৰ ৰাজ্যত ভ্ৰমণ কৰি থকা চীনা ভ্ৰমণকাৰী হিউয়েনচাঙৰ পাণ্ডিত্যৰ কথা জানিব পাৰি তেওঁৰ ৰাজ্যলৈ নিমন্ত্ৰণ কৰিলে। সেই সময়ত হিউয়েনচাঙে নালন্দা বিশ্ববিদ্যালয়ত অধ্যয়ণত ৰত আছিল। বিশ্ববিদ্যালয়ৰ অধ্যক্ষ শীলভদ্ৰই হিউয়েনচাঙক কামৰূপলৈ পঠাবলৈ অস্বীকাৰ কৰিলে। তেখেতেও প্ৰথমতে আহিবলৈ ইচ্ছা কৰা নাছিল। কিন্তু ভাস্কৰ বৰ্মণে চীনা পণ্ডিতজনক লগ পাবৰ কাৰণে ইমান ব্যগ্ৰ হৈ পৰিছিল যে হিউয়েনচাঙক কামৰূপলৈ নপঠিয়ালে তেওঁ বিশ্ববিদ্যালয়ৰ ক্ষতি সাধন কৰিব বুলি ভাবুকি দিছিল। অৱশেষত নিৰুপায়ত পৰি শীলভদ্ৰই অনুমতি দিলে। হিউয়েনচাঙে কামৰূপলৈ আহি প্ৰায় এমাহ কাল কটায়। পিছত হৰ্ষবৰ্দ্ধনৰ পুনৰ আমন্ত্ৰণ মৰ্মে অনিচ্ছা স্বত্বেও হিউয়েনচাঙে হৰ্ষৰ ৰাজ্যলৈ উভতি যায়। হিউয়েনচাঙে এই তাকৰীয়া সময়ছোৱাৰ ভিতৰতে কামৰূপৰ জনসাধাৰণ তথা ৰাজ্যৰ শাসন পদ্ধতিৰ বিষয়ে তেওঁৰ চিউ-য়ুকি নামৰ গ্ৰন্থখনত লিপিবদ্ধ কৰি থৈ যায়। এই বিৱৰণৰ পৰা জনা যায় যে সেই সময়ত কামৰূপ ৰাজ্যৰ পৰিধি আছিল ১৬৭৫ মাইল আৰু দীঘে পথালীয়ে প্ৰায় ছয় মাইল আছিল। ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ। মাটি সাৰুৱা আছিল আৰু শস্য যথেষ্ট উৎপাদন হৈছিল। মানুহবোৰ চুটি চাপৰ তাম বৰণীয়া আৰু বলী আছিল। তেওঁলোকৰ আচাৰ ব্যৱহাৰ, ৰীতি-নীতি সহজ সৰল আছিল। তেওঁলোকে অনেক দেৱ দেৱীক পূজা কৰিছিল। বিভিন্ন ঠাই মঠ মন্দিৰেৰে ভৰি আছিল। বৌদ্ধ ধৰ্মৰ প্ৰাদুৰ্ভাৱ হ্ৰাস পাইছিল। কামৰূপৰ দক্ষিণ পূব ছোৱাত হাতী সৰহকৈ পোৱা গৈছিল। ইয়াক যুদ্ধত ব্যৱহাৰ কৰা হৈছিল। ৰজা শক্তিশালী আছিল আৰু সেই কাৰণে হিউয়েনচাঙে ৰজাক 'পূব ভাৰতৰ অধিপতি' বুলি আখ্যা দিছিল। ৰজা শৈৱ হ'লেও বৌদ্ধ ধৰ্ম ঘিণ কৰা নাছিল। হিউয়েনচাঙে ৰজাক ব্ৰাহ্মণ বুলিছিল। বোধহয় বৰ্মণকে ব্ৰাহ্মণ বুলি ভাবিছিল। আচলতে ৰজা ক্ষত্ৰিয়হে আছিল। ভাস্কৰ বৰ্মাৰ অনুৰোধ মৰ্মে চাঙজনাই এখন চীনা ভাষাৰ পুথি সংস্কৃতলৈ অনুবাদ কৰিছিল। এই পুথিখনক টাও-টে-কিং বুলি কোৱা হয়।

নিকোলকন্টি— ইটালী দেশৰ পৰ্য্যটক নিকোলকন্টি ১৪২০ চনত ভাৰতলৈ আহে। তেওঁৰ টোকাত বিজয় নগৰৰ বৰ্ণনা পোৱা যায়। তেওঁ লিখি গৈছে যে সেই সময়ত বিজয় নগৰৰ পৰিধি আছিল ষাঠি মাইল। অসংখ্য বাগিছাৰে ভৰপুৰ নগৰখন চালে চকুৰোৱা আছিল। আলি পদূলিবোৰ পোনপটীয়া আৰু আহল বহল আছিল। তেওঁৰ মতে বিজয় নগৰৰ ৰজাজনে সকলোতকৈ পৰাক্ৰমী শাসনকৰ্ত্তা আছিল।

আব্দুৰ ৰেজাক— ১৪৪৩ চনত চমৰখণ্ডৰ ৰাজদূত আব্দুৰ ৰেজাক ভাৰতবৰ্ষলৈ আহে। তেওঁ বিজয় নগৰৰ ঐশ্বৰ্য্য দেখি মুগ্ধ হৈছিল। নগৰলৈ যোৱা বাটত মেঙ্গালোৰৰ ওচৰত নিভাজ গলোৱা পিতলেৰে সজোৱা এটা আচৰিত ধৰণৰ মন্দিৰ তেওঁ দেখিছিল। ই ওখই প্ৰায় পোন্ধৰ বৰ্গ ফুট আৰু ভেটিটো ত্ৰিশ বৰ্গ ফুট মাটি কালিৰ। তেওঁৰ মতে 'নগৰখন এনেকুৱা যে গোটেই পৃথিবীত এনে এখন নগৰৰ নিচিনা ঠাই মানুহে চকুৰেতো দেখা নায়েই কাণেৰেও শুনা নাই।' ৰাজ কাৰেংটো অতি ওখ আছিল। হাট বজাৰবোৰ আহল বহল আৰু দুৰ্গন্ধ বুলিবলৈ নাছিল। হাট বজাৰত জহুৰীবিলাকে প্ৰকাশ্যে মণি মুক্তা, হীৰা, পান্না আদি বহুমূলীয়া ৰত্নবোৰ বেচা কিনা কৰিছিল। নিম্ন শ্ৰেণীৰ লোক সকলেও মণি-মুক্তা খটোৱা মূল্যবান অলংকাৰ ব্যৱহাৰ কৰিছিল।

পাট্টাছ— এওঁ পৰ্ত্তুগীজ ভ্ৰমণকাৰী আছিল। এওঁ বিজয় নগৰক পৃথিবীৰ ভিতৰত চহকী দেশ বুলি মন্তব্য কৰিছিল। কাৰণ এই নগৰত প্ৰচুৰ পৰিমাণে খাদ্য বস্তু উৎপন্ন হৈছিল আৰু যিকোনো সময়তে পোৱা গৈছিল। ই বেহা বেপাৰৰ কেন্দ্ৰ স্বৰূপ আছিল। দেশ বিদেশৰ পৰা বেপাৰ বণিজৰ কাৰণে মানুহ ইয়ালৈ আহিছিল।

বাৰবোছা— এওঁ বহুদিন বিজয় নগৰত আছিল। এওঁৰ মতে সেই সময়ৰ বিজয় নগৰ সকলো ফালৰ পৰা সমৃদ্ধিশালী নগৰ আছিল। তেওঁ হিন্দু সংস্কৃতিৰ উচ্চ প্ৰশংসা কৰিছিল। ৰজা কৃষ্ণদেৱ ৰায়ে দেশ বিদেশৰ লোকক বিজয় নগৰলৈ যাতায়ত কৰিবলৈ অনুমতি দিছিল।



পায়েজ— পায়েজ পৰ্ত্তুগীজ ভ্ৰমণকাৰী আছিল। তেওঁ ১৫২২ চনত বিজয় নগৰ পায়হি। তেওঁৰ মতে বিজয় নগৰখন ৰোমৰ সমান ডাঙৰ আৰু ইয়াৰ দৃশ্য অতি মনোৰম আছিল। তেওঁ নগৰৰ বিষয়ে মন্তব্য দি কৈছে যে 'এইখনেই পৃথিবীৰ একমাত্ৰ পূৰ্ণভোগ থকা নগৰ, কাৰণ নগৰখনৰ ৰেহৰূপ আন কোনো নগৰৰ দৰে নহয়। আন নগৰবোৰত কিবা নহয় কিবা এটা অভাৱ আছেই কিন্তু এই নগৰখন সকলো প্ৰকাৰে পূৰ্ণ।' ৰাজ কাৰেঙৰ বেৰবোৰ মজিয়াৰ পৰা মূধলৈকে শুধ বগা হাতী দাঁতেৰে সজোৱা আছিল। ৰজাৰ বিষয়ে বৰ্ণনা দি কৈছে যে দক্ষিণ ভাৰতৰ বুৰঞ্জীয়ে ঢুকি পোৱাৰ ভিতৰত তেৱেঁই একমাত্ৰ ডাঙৰ ৰজা আছিল। তেওঁৰ নাম আছিল কৃষ্ণদেৱ ৰায়। বিশুদ্ধ পানীৰ যোগান ধৰিবৰ বাবে ১৪০০ খৃঃত বৃহৎ জলসিঞ্চন কাৰ্য্য অনুষ্ঠিত হৈছিল। শিলৰ মাজেদি কাটি সৰকাই নিয়া পোন্ধৰ মাইল দীঘল নলী এটাৰে পানী নগৰখনলৈ সোমাইছিল।

আলবেৰুণী— চুলতান মামুদে ভাৰত আক্ৰমণ কৰিবলৈ আহোতে আলবেৰুণীও লগত আহিছিল। তেওঁ ভাৰতৰ অনেক ঠাই ফুৰি-চাকি চাই সেই সময়ৰ হিন্দু সকলৰ শিক্ষা আৰু সমাজৰ বিষয়ে এটি টোকা লিখি থৈ গৈছে। এই টোকাৰ পৰা জানিব পাৰি যে সেই সময়ৰ হিন্দু বিলাকে বিদেশী লোকক ম্লেছ বুলি ঘিণ কৰিছিল। নিম্ন খাপৰ জাতি সমূহৰ লগত খোৱা-মেলা নকৰিছিল। সমাজখন এটা ঠেক পৰিসৰৰ ভিতৰত আবদ্ধ আছিল। মানুহবিলাক দুৰ্বল আৰু পৰশ্ৰীকাতৰ আছিল। পৰস্পৰৰ ভিতৰত সদ্ভাৱ মুঠেই নাছিল। তিৰোতাবিলাকক উচ্চ শিক্ষাৰ কাৰণে সুবিধা দিয়া হোৱা নাছিল।

ইবনবতুতা— মুছলমান যুগৰ পৰিব্ৰাজক সকলৰ ভিতৰত ইবনবতুতা নিঃসন্দেহে সৰ্বশ্ৰেষ্ঠ আছিল। ১৩০৪ খৃঃত উত্তৰ আফ্ৰিকাৰ টনজিয়াৰ্চট অঞ্চলত তেওঁ জন্ম গ্ৰহণ কৰিছিল। ১৩৩৩ খৃঃত মহম্মদ বিনটোগলকৰ ৰাজত্ব কালত তেওঁ ভাৰত ভ্ৰমণ কৰিবলৈ আহে। প্ৰায় আঠ বছৰ কাল কাজীৰ পদত সুখ্যাতিৰে কাম কৰাৰ পিছত টোগলকে তেওঁক ৰাজদূত হিচাবে চীনলৈ পঠায়। বাটত তেওঁ বঙ্গদেশ, সিংহল, মালয় আদি দ্বীপপুঞ্জ ভ্ৰমণ কৰি যায়। দেশলৈ ওভতি আহি তেওঁ 'চফৰ নামা' নামৰ এখন গ্ৰন্থত তেওঁৰ ভ্ৰমণ বৃত্তান্ত লিপিবদ্ধ কৰে। এই গ্ৰন্থতে টোগলকৰ চৰিত্ৰৰ বিষয়ে মন্তব্য দি ইবনবতুতাই লিখিছিল যে তেওঁৰ ৰাজপ্ৰাসাদৰ দুৱাৰ মুখতে অনেক দীন হীন দৰিদ্ৰ লোকে ধন-সোণ লাভ কৰিছিল আৰু সেই একে ঠাইতে কেতবোৰ দুখীয়া লোকে প্ৰাণ হেৰুৱাব লগাত পৰিছিল। তেওঁ মুক্তহস্তে দান দক্ষিণা কৰিছিল। সেই সময়ত বঙ্গদেশত খাদ্য বস্তু উভৈনদী আছিল।

আথেনিয়াচ নিকিতন— এইজন ৰুছ্ ভ্ৰমণকাৰী ১৪৬০ খৃঃত ভাৰতবৰ্ষলৈ আহে। তেওঁৰ টোকাত পোৱা যায় যে সেই সময়ত বাহমনী ৰাজ্যৰ ৰাজধানী 'বিদৰ' আছিল। তেওঁ এই ৰাজধানীত চাৰি বছৰ কাল কটায়। তেওঁৰ টোকাৰ পৰা জানিব পাৰি যে দেশৰ জনসংখ্যা অলেখ আছিল আৰু জনসাধাৰণৰ অৱস্থা দুখ লগা আছিল। কিন্তু আমীৰ উমৰাহ সকলৰ ধন-সম্পত্তি আৰু বিলাসিতাৰ অন্ত নাছিল। চুলতান সকলৰ নৈতিক চৰিত্ৰ জঘন্য আছিল। কিন্তু প্ৰজাবৰ্গৰ শান্তি শৃংখলা অটুট ৰাখিবলৈ যত্ন কৰিছিল। দেশত খেতি বাতিৰ উন্নতি হৈছিল।

কেপ্তেইন উলিয়াম হকিন্স— এওঁ ইউৰোপীয় ভ্ৰমণকাৰী আছিল। সম্ৰাট জাহাঙ্গীৰৰ ৰাজত্ব কালত ভাৰতবৰ্ষলৈ আহে। হকিন্সৰ বৃত্তান্তৰ পৰা সম্ৰাট জাহাঙ্গীৰৰ ঐশ্বৰ্য্য বিভূতি, জাক-জমক, আড়ম্বৰআদিৰ বিষয়ে জানিব পাৰি।



চাৰ টমাচ ৰো— চাৰ টমাচ ৰো এজন ইউৰোপীয় পৰিব্ৰাজক। এওঁ সম্ৰাট জাহাঙ্গীৰৰ ৰাজত্ব কালতে ভাৰতবৰ্ষলৈ আহে। এওঁৰ বিৱৰণীৰ পৰা জাহাঙ্গীৰৰ শাসন প্ৰণালী আৰু তেওঁৰ ব্যক্তিগত জীৱনৰ ভালেমান কথা জানিব পাৰি। তেওঁৰ মতে জাহাঙ্গীৰ আছিল ৰঙিয়াল আৰু নিৰ অহঙ্কাৰী। ৰজাৰ বিচাৰ শক্তি প্ৰখৰ আছিল। সম্ৰাটে প্ৰজাৰ অভাৱ অভিযোগৰ বিষয়ে লক্ষ্য কৰিছিল। ন্যায় বিচাৰক জাহাঙ্গীৰ বুলি তেওঁ প্ৰজাৰ মুখত শুনিছিল। লিখিত আইন বিধি ব্যৱস্থা নাছিল। ৰজাৰ আদেশমতে শাসনকাৰ্য্য চলিছিল। প্ৰাদেশিক শাসনকৰ্ত্তা সকলে প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিছিল। বেপাৰী সকলৰ পৰাও তেওঁলোকৰ ইচ্ছানুসৰি মূল্য দি বস্তু কিনিছিল। সেই কাৰণে টমাচ ৰোৱে এই শাসন নিন্দা কৰিছিল।

টাভাৰ্নিয়াৰ— এওঁ এজন হীৰা বেপাৰী আছিল। ছাহজাহানৰ ৰাজত্ব কালত এওঁ ভাৰতলৈ আহিছিল। তেওঁ ছাহজাহানৰ মণি-মুক্তা খটোৱা ৰাজ সিংহাসনৰ বিষয়ে এটি মনোৰম বৰ্ণনা দিছে। সেই সময়ত দেশৰ স্থাপত্য, কলা, ভাস্কৰ্য্যৰ প্ৰাচুৰ্য্যৰ কথা তেওঁ স্বীকাৰ কৰি গৈছে।

পেলচৰ্ট— এওঁ এজন অৱশ্যে ওলন্দাজ বেপাৰী আছিল। এওঁৰ বিবৰণীৰ পৰাও সেই সময়ৰ জনসাধাৰণৰ বিষয়ে উমান পোৱা যায়। এওঁৰ মতে ৰাজ কৰ্মচাৰী বিলাক অত্যাচাৰী আছিল কাৰণে খেতিয়ক বিলাকে দুখেৰে দিন নিয়াব লাগিছিল। দোকানী পোহাৰী বিলাকৰ অৱস্থা স্বচ্ছল আছিল। বেপাৰী বিলাকে ৰাজ কৰ্মচাৰী বিলাকক আধা মূলাতে বস্তু দিব লাগিছিল। বঙ্গদেশ ৰেচম আৰু বস্ত্ৰ শিল্পত আগবঢ়া আছিল।

বাৰ্ণিয়াৰ— এওঁ এজন ফৰাচী চিকিৎসক আছিল। ঔৰংজেৱৰ ৰাজত্ব কালত এওঁ ভাৰতলৈ আহিছিল। বাৰ বছৰ কাল এওঁ ভাৰ-

ত্ত কটায়। এওঁৰমতে দেশৰ বেছিভাগ জনসাধাৰণে অচিনাকী ৰোগত ভোগিছিল। সেই সময়ত হিন্দুস্থানৰ অৱস্থা শোচনীয় আছিল। প্ৰাদেশিক শাসনকৰ্ত্তা সকল বৰ অত্যাচাৰী আছিল। উপযুক্ত খেতিয়কৰ অভাৱত সাৰুৱা মাটিবিলাক চন পৰি আছিল। বঙ্গদেশত প্ৰচুৰ পৰিমাণে চেনী আৰু ধান উৎপন্ন হৈছিল। ইয়াৰ কপাহ আৰু ৰেচম শিল্প উন্নত ধৰণৰ আছিল।

মানুসী— এওঁ ইটালী ভ্ৰমণকাৰী। ঔৰংজেৱৰ ৰাজত্বকালত ভাৰতবৰ্ষলৈ আহিছিল। তেওঁৰ লিখনিত পোৱা যায় যে সেই সময়ত দেশৰ ধন-দৌলত এক মুষ্টিমেয় লোকৰ অধিকাৰৰ বস্তু আছিল। সম্ৰাট সকলৰ বিলাসিতাৰ সীমা নাছিল। নিম্ন খাপৰ লোকৰ ওপৰত ৰাজকৰ্মচাৰী বিলাকে কৰা অন্যায় অবিচাৰ অবৰ্ণনীয় আছিল।

ৰালফ্ ফিটছ— এওঁ এজন ইংৰাজ পৰিব্ৰাজক। নৰনাৰায়ণৰ ৰাজত্ব কালত এওঁ কামৰূপলৈ আহিছিল। অসমত খৃষ্ট ধৰ্মৰ প্ৰচাৰ কৰিবৰ কাৰণে এটাপথ সুগম কৰাই আছিল এওঁৰ ভ্ৰমণৰ উদ্দেশ্য। কিন্তু সেই সময়ত অসমত বৈষ্ণৱ ধৰ্ম তীব্ৰ গতিত চলি থকা কাৰণে তেওঁৰ ভ্ৰমণৰ উদ্দেশ্য ফলবতী নহ'ল। তেওঁ কোচবিহাৰত উপস্থিত হোৱা সময়ত নৰনাৰায়ণৰ ভায়েক শুক্লধ্বজ জীবিত আছিল। তেওঁৰ মতে সেই সময়ৰ ৰজাজন আছিল হিন্দু আৰু তেওঁক শুক্লধ্বজ বুলি জনা গৈছিল। ৰাজ্যত বৈষ্ণৱ ধৰ্মৰ ইমান প্ৰাদুৰ্ভাৱ চলিছিল যে ৰাজ্যত মানুহবোৰে জীৱ হত্যা নকৰিছিল। বুঢ়া আৰু অচল গৰু, ম'হৰ কাৰণে আশ্ৰয়শালা আছিল। মানুহবোৰে জোঙা বাঁহ আৰু বেতৰ বেৰ সাজিছিল। বাহিৰা শত্ৰুৰ আক্ৰমণৰ পৰা ৰক্ষা পাবৰ কাৰণে মানুহ বিলাকে জলসিঞ্চন পদ্ধতিৰে দেশখন জলমগ্ন কৰিছিল ফলত ৰাস্তাৰে ঘোঁৰা আৰু মানুহ অহা যোৱাত ব্যাঘাত জন্মিছিল। আৰু তেনেদৰেই তেওঁলোকে শত্ৰুক বশ কৰিছিল। তেওঁ দেশত যথেষ্ট পৰিমাণে গন্ধকলাই দেখিবলৈ পাইছিল। পাট আৰু কপাহী সূতাও যথেষ্ট পৰিমাণে উৎপন্ন হোৱা তেওঁ দেখিছিল।



চাহাবুদ্দিন তালিছ— মিৰজুমলাই অসম আক্ৰমণ কৰিবলৈ আহোতে তেওঁৰ লগতে চাহাবুদ্দিন তালিছ নামৰ এজন লিপিকাৰো আহিছিল। তেওঁ অসমৰ জনসাধাৰণ তথা দেশৰ পৰিস্থিতিৰ বিষয়ে "ফতিয়া-ই-ইব্ৰিয়া" নামৰ পাৰ্ছী গ্ৰন্থ এখনত লিপিবদ্ধ কৰিছিল। অধ্যাপক যদুনাথ সৰকাৰে মূল পাৰ্ছী গ্ৰন্থখন ইংৰাজীলৈ ১৯১৫ চনত অনুবাদ কৰে। চাহাবুদ্দিন তালিছৰ ভ্ৰমণ বৃত্তান্তত পোৱা যায় সেই সময়ত অসম দেশ হাবি-জংঘলেৰে ভৰপূৰ আছিল আৰু ই হিংস্ৰ জন্তুৰ পৰা সততে ভয়লগা আছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ জলবায়ু স্বাস্থ্যকৰ আছিল। বছৰৰ প্ৰায় সময়তে বৰষুণ হৈছিল। ইয়াৰ মানুহবোৰে সেই সময়ত বঙ্গদেশত হোৱা কঠিন বেমাৰৰ পৰা মুক্ত আছিল। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ওপৰত তেওঁ মুগ্ধ হৈছিল। দেশত নাৰিকল গছ আৰু নিম গছ বৰ কম আছিল। জলকীয়া, মাটি কঠাল আৰু নানা ধৰণৰ আম ইয়াত পোৱা গৈছিল। দেশত নিমখৰ বৰ আকাল হৈছিল। সেই কাৰণে কিছুমান মানুহে কলগছ কাটি ৰ'দত শুকাই তাৰে কলাখাৰ তৈয়াৰ কৰি লোণৰ পৰিবৰ্ত্তে ব্যৱহাৰ কৰিছিল। ব্ৰহ্মপুত্ৰৰ বালিৰ পৰা সোণ আহৰণ কৰা হৈছিল আৰু ইয়াত প্ৰায় দহ-বাৰ হেজাৰ মানুহ এই কামত খাতিছিল। প্ৰতিজনে ৰজাক এতোলাকৈ সোণ দিব লাগিছিল। সোণবোৰৰ মূল্য অতি কম আছিল। প্ৰতি তোলাত মাত্ৰ আঠ-ন টকাহে আছিল। দেশত ৰজাৰ চাপ থকা সোণ আৰু ৰূপৰ মুদ্ৰা চলিছিল। কড়িও মুদ্ৰাৰ পৰিবৰ্ত্তে চলিছিল। কিন্তু তামৰ মুদ্ৰাৰ প্ৰচলন নাছিল। খেতিয়কবোৰে মাটিৰ খাজানাৰ বিনিময়ত ৰজাঘৰত দেহেৰে খাটি দিব লাগিছিল। বিদেশীয়ে অসম যাদুৰ দেশ আৰু প্ৰতিজন অসমীয়াক যাদুকৰ বুলি ভাবিছিল। গাধ, উট আৰু ঘোঁৰা এই দেশত পাবলৈ নাছিল। কিন্তু হাতী যথেষ্ট পৰিমাণে পোৱা গৈছিল। হাতী বিক্ৰী কৰাটো অসমীয়া মানুহে

ৰৰ অপমানৰ কথা বুলি ভাবিছিল। ধৰ্মৰ বান্ধ শিথিল আছিল। মানুহ বিলাকে ঘিউ নাখাইছিল। তিৰোতাৰ ওৰণি প্ৰথা নাছিল। সৰহভাগ মানুহৰে পাঁচ গৰাকী তিৰোতা আছিল। তেওঁলোকে তিৰোতা বিনিময় আৰু কিনা-বেচাও কৰিছিল।

ৰজা আৰু ডা-ডাঙৰীয়াবিলাকে পাল্কী আৰু দোলা ব্যৱহাৰ কৰিছিল। মূৰত পাগুৰী, কোট পায়জামা, জোতা আদি নিপিন্ধিছিল। গড়গাওঁৰ তোৰণ আৰু কিছুমান মন্দিৰৰ বাহিৰে গোটেই দেশতে ইটা বা শিলৰ ঘৰ নাছিল। যুদ্ধৰ সজুলি হিচাবে তেওঁলোকে ধনু-কাড়, বৰটোপ, হিলৈ, সৰু তৰোৱাল আৰু যাঠি ব্যৱহাৰ কৰিছিল। মানুহবিলাকে মঙ্গলবাৰটো শুভ দিন হিচাবে ধৰি লৈছিল। ডা-ডাঙৰীয়া বিলাকৰ মৃত্যু হ'লে তেওঁলোকৰ লগত তিৰোতা আৰু দাস দাসীকো মৈদামৰ ভিতৰত সোমাই দিয়া হৈছিল। ইছলামী দেশৰ পৰা অহা মুছলমানবিলাকে নামাজ পঢ়িছিল আৰু ৰোজা ৰাখিছিল। কিন্তু তেওঁলোকক আজান দিবলৈ আৰু ৰাজহুৱাভাবে কোৰাণ পাঠ কৰিবলৈ দিয়া হোৱা নাছিল।

কেপ্তেইন ৱেলছ— মোৱামৰীয়া বিদ্ৰোহৰ অত্যাচাৰত জুৰুলা হৈ গৌৰীনাথ সিংহই কলিকতাত থকা লৰ্ড কৰ্ণৱালিছৰ সহায় খুজিছিল। তেতিয়া কৰ্ণৱালিছে কেপ্তেইন ৱেলছ নামৰ এজন সেনাপতিক এদল সৈন্যৰে সৈতে অসমলৈ পঠাই দিছিল। ৱেলছে অসমলৈ আহি বিদ্ৰোহ দমন কৰিছিল আৰু অসমত দুই বছৰ কাল আছিল। এই দুই বছৰৰ অভিজ্ঞতা তেওঁ লিখিতভাবে ইংৰাজ চৰকাৰৰ ওচৰত দাখিল কৰিছিল। তেওঁৰ এই টোকাৰ পৰা জনা যায় যে সেই সময়ত গৌহাটী এখন বৃহৎ আৰু জনপূৰ্ণ নগৰ আছিল। ই ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে অৱস্থিত আছিল। এফালে নৈৰ দাঁতিত এটা অংশত এটা গড় আছিল। আৰু তাত বিভিন্ন ৰকমৰ এশ তেৰটা কামান পোতা আছিল। নদীৰ পৰা এশ



গজমান দূৰত এটা প্ৰকাণ্ড খেৰৰ ঘৰত গোটেই সৈন্যবাহিনী আছিল। ৰাজধানী ৰংপুৰৰ আয়তন আছিল বিশ মাইল। খেতিৰ উৎপন্ন বস্তু বজাৰত বেচা নহৈছিল। টকাতকৈ লোণ আৰু কানিৰ দ্বাৰাহে বস্তু বেহানি কিনা-বেচাত সহজ আছিল। ৰংপুৰত এক টকাত ৬০০ পাউণ্ড (২৭০ কিঃ গ্ৰাঃ) হিচাপে ধান কিনিবলৈ পোৱা গৈছিল। ম'হৰ দাম পাঁচ টকা আৰু গৰুৰ দাম দুই টকা আছিল। কৰ্মচাৰীবিলাকে বছৰি নব্বৈ হেজাৰ টকা বাণিজ্য শুল্ক হিচাবে বৰফুকনক শোধাইছিল। কিন্তু তাৰে মাত্ৰ ষাঠি হেজাৰ টকাহে ৰাজকোষ পাইছিলগৈ। বছৰি বঙ্গদেশৰ পৰা অসমলৈ প্ৰায় একলাখ বিশ হেজাৰ মোন লোণ আমদানি কৰা হৈছিল। অসমৰ ভিতৰতো কমপৰিমাণে লোণ তৈয়াৰ কৰা হৈছিল। লোণ বৰ দামি বস্তু আছিল। সাধাৰণ মানুহে ইয়াক ব্যৱহাৰ কৰিবলৈ অসমৰ্থ আছিল। দেশ ঐশ্বৰ্য্যশালী আৰু প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ আছিল।

⊙

Printed sources :


(1) A history of South India by K. A. Nilakanta Sastri.

(2) Muslim Rule in India by V. D. Mahajan.

(3) Early History of Kamrupa by K. L. Baruah

(4) অসম বুৰঞ্জী— ডঃ লক্ষ্মী দেৱী।

(5) সবল ভাৰত বুৰঞ্জী।


□

# বৈষ্ণৱৰ নিত্য পালনীয় কৰ্ম

'আচাৰোহি প্ৰথমো ধৰ্ম' অৰ্থাৎ ধৰ্মৰ বাটত আগবাঢ়িবলৈ হ'লে মানৱ মাত্ৰেই শাস্ত্ৰত উল্লিখিত আচাৰ ৰীতি-নীতি সদাচাৰ মানি চলা উচিত। কিন্তু সাধু বৈষ্ণৱৰ ক্ষেত্ৰত ই বাধ্যতামূলক বুলিয়ে কব লাগিব। সেয়ে তলৰ উল্লিখিত নিয়মসমূহ প্ৰতিজন বৈষ্ণৱৰ জ্ঞাতাৰ্থে জনোৱা হ'ল। আমি সততে মনত ৰাখিব লাগিব আচৰণহীন লোক ধৰ্ম কৰ্মত ভ্ৰষ্ট হৈ ম্লেছাচাৰী হয়।

১। ব্ৰহ্মমুহূৰ্ত্তত শয্যা ত্যাগ কৰি প্ৰাতঃ স্নানৰ পূৰ্বে নিম, বকুল, খৈৰা, ভোমোৰা, আম, জামু, ডিমৰু, অৰ্জুন, সৰল, বাহৰ কেঁচা ঠাৰিৰ যি কোনো এবিধেৰে দাঁত ঘহি কমেও বাৰ চলু পানীৰে মুখ ধুই নাৰায়ণ নাম স্মৰণ কৰি মুখ শুচি কৰিব। দাতনবোৰ কেয়াঅঙ্গুলীৰ সমান ডাঙৰ আৰু বাৰ অঙ্গুলি দীঘল হ'লে ঔষধৰ কাম কৰে। দাঁত সদায় পূৱ আৰু উত্তৰ মুখ কৰি ঘহিব লাগে। মুখত পানী ভৰাই লৈ কুৰি ছাতিকৈ নিৰ্মল পানী প্ৰতি চকুত মাৰি চকু ধুই 'কমল লোচন' নাম স্মৰণ কৰিব। চকুৰ দৃষ্টি শক্তি বৃদ্ধি হ'ব। স্নানৰ অন্তত তিলক ধাৰণ কৰি গুৰু সেৱা কৰিহে যি কোনো খাদ্য গ্ৰহণ কৰা উচিত। তিৰোতাই খোপা খুলি সেৱা কৰা বিধেয়।

২। শয্যা ত্যাগ কৰোতে পোন প্ৰথমে পুৰুষে সোঁভৰি আৰু তিৰোতাই বামভৰি মাটিত দি তিনিবাৰ অনন্ত বা মাধৱৰ নাম স্মৰণ কৰিব।



৩। প্ৰস্ৰাৱ কৰোতে সাবধান হ'ব লাগিব যাতে ই ভৰি আৰু কাপোৰলৈ বাগৰি আহিব নোৱাৰে। লগত জল পাত্ৰৰ পানীৰে লিঙ্গদ্বাৰ আৰু ভৰি হাত ধুই শুচি হ'ব। থিয়হৈ প্ৰস্ৰাৱ কৰা নিষেধ।

৪। শৌচাচাৰ কৰিবলৈ হ'লে শৌচৰ পূৰ্ব্বে 'গোবিন্দ' নাম উচ্চাৰণ কৰি তিনিটা চাপৰি মাৰিব। মাটিত ঘাহ বন পাৰি লৈহে শৌচ কৰিব। প্ৰস্ৰাৱৰ সময়তো এই নিয়ম মানি চলিব। দেৱমন্দিৰ অগ্নি, জল, শ্মশান আৰু সূৰ্য্যলৈ চাই শৌচ কৰা নিষেধ। ৰাজ-বাটত, ভস্মত, হালবোৱা মাটিত শস্যৰ মাজত, পানীত, পৰ্বতৰ টিঙত, নৈ আৰু পানীৰ কাষত শৌচ নকৰিব। শৌচৰ অন্তত মাটি পানী নোলোৱা পৰ্য্যন্ত শৰীৰৰ উৰ্দ্ধভাগত বাম হাত ব্যৱহাৰ নকৰিব। শৌচ আৰু প্ৰস্ৰাৱ কৰা সময়ত মুখত একো বস্তু নেৰাখিব। দাঁত কামুৰি ধৰি মৌন হৈ থাকিব। এক বস্ত্ৰে শৌচ কৰা নিষেধ।

৫। সপ্ত স্নানৰ ভিতৰত বৰুণ স্নান উত্তম। সোঁত থকা পানীত পূৱ মুখে ডুব মাৰি স্নান কৰা প্ৰশস্ত। প্ৰাতঃ কালে চেচা পানীৰে স্নান কৰিলে পিত্ত দমন হয়। তোলা পানীৰে গা ধুব লাগিলে পূৱ মুখে বহি কলহক ব্ৰহ্মাৰ কমণ্ডলু বুলি ভাবি 'বিষ্ণু পাদোদকী জল মোক পবিত্ৰ কৰক' বুলি কলহেৰে তিনিবাৰ পানী ঢালিব। স্নানৰ পূৰ্ব্বে শৰীৰত সৰিয়হ তেল মালিচ কৰা বিজ্ঞান সম্মত। কিন্তু স্নানৰ পিছত তেল ঘহা নিষেধ। ধৰ্ম-কৰ্মৰ ভিতৰত স্নান পৰম শুদ্ধ বুলি শঙ্কৰ মাধৱদেৱে ইয়াক ধৰ্মৰ এটা অঙ্গ কৰি লৈছিল। স্নানৰ সময়ত এখন ভৰিৰে আনখন ভৰি ঘহা দোষণীয়। স্নানৰ অন্তত 'কেশৱ' নাম তিনিবাৰ স্মৰণ কৰি মূৰ আচুৰিব। মূৰ নফনিওৱাকৈ গুৰু সেৱা বিফল আৰু ভোজন অপবিত্ৰ হয়। স্নানৰ অন্তত পুনৰ ভৰি ধুলেহে স্নান শুচি হয়।

৬। সদায় পূৱ আৰু উত্তৰ মুখে বহি জনাৰ্দ্দন নাম উচ্চাৰণ কৰি ভোজন কৰিব লাগে। ভোজনৰ আসনত দুই ভৰি তুলি

পাগুৰী মাৰি, ভৰি মেলি, তিতা বস্ত্র পিন্ধি, বিনা আসনে চুলি মেলি, পাদুকা বা চেন্দেল পিন্ধি, চৰ্মাসনত বহি, শ্মশানত, থিয়ৈ থিয়ৈ ভোজন কৰা নিষেধ। অন্ন দিন ৰাতিৰ ভিতৰত দুই বাৰ খোৱা বিধেয়। বাম হাতে অন্ন বা পানী খোৱা নিষেধ। পানী খাওতে মুখৰ পৰা অন্নত পৰিলে অভক্ষ্য হয়। ভোজনৰ বামফালে পানীৰ পাত্র ৰখা নিষেধ। এবাৰ খাই এৰা পানী পুনৰ খোৱা নিষেধ। তাম্র, লো, ভঙা কাহৰ পাত্রত আৰু খালি হাতত কোনো প্রকাৰ আহাৰ খোৱা নিষেধ। সমাজৰ একে শাৰীত ভোজন কৰা লোকে আনবিলাকক এৰি উঠি যোৱা অবিধেয়। অমাবস্যা, পূর্ণিমা আৰু দশমীযুক্ত একাদশীত অন্ন ভোজন নকৰিলে দেহ নিৰোগী হয়। পাত্রত ভোজনৰ বাবে অন্ন এবাৰহে লোৱা উচিত কাৰণ দ্বিতীয়বাৰ লোৱা অন্ন অর্পণ কৰিব নোৱাৰি। ভোজনৰ অন্তত মুখ ধোৱাৰ সময়ত খৰিকা ব্যৱহাৰ কৰা বিধেয়। ৰাতি দৈ গাখীৰ খালে আয়ুস টুটি যায়। ভোজনৰ সময়ত মৌন ভাবে থাকিব লাগে।

৭। পুৰুষে তলপোন্ধ (লেংটি) এৰি কাপোৰ পিন্ধিলে পুৰুষত্ব লোপ পায়; পৰকালত নপুংসক হৈ কষ্ট ভোগ কৰে। আনকি তলপোন্ধ এৰি শপত খালেও সি মূল্যহীন। বস্ত্র পিন্ধোতে প্রথমে বাম ভাগে খোচনা মাৰি 'দীনবন্ধু' নাম স্মৰণ কৰিব লাগে। অৱশ্যে কপিনধাৰী সাধুসকলৰ ক্ষেত্রত এই বিধি প্রযোজ্য নহ'ব।

৮। সোম আৰু বুধবাৰৰ বাহিৰে বাকী পাঁচ দিনত চতুর্দ্দশী আৰু অষ্টমী তিথিত ক্ষৌৰ কর্ম কৰা নিষেধ।

৯। সাধু মাত্রেই ভেশৰ প্রয়োজন। ভেশে সংযমী কৰে। গুৰু দীক্ষিত হোৱাৰ লগে লগে তিলক, মালা, নাদ, কণ্ঠী আৰু ত্রিদণ্ডী গুৰুৰ উপদেশ মতে পৰিধান কৰা উচিত। আচার্য্য গুৰু সৱে গেৰুৱা বসন, কপিন আৰু কমণ্ডলু ব্যৱহাৰ কৰা অপৰিহার্য্য। কপিনধাৰী সকলে কপিন খুলিহে প্রস্রাৱ কৰা উচিত।

১০। গৃহত আশ্রয় বিচৰা অতিথিক আন প্রকাৰে শুশ্রূষা



কৰিব নোৱাৰিলেও তৃণ, জল, অগ্নি আৰু প্রিয় সম্ভাষণ নকৰিলে গৃহস্থীজনে পৰজন্মত ভিক্ষাৰী জন্ম পায়। অতিথিৰ জাত কুল বিচাৰিব নালাগে।

১১। পুৰুষে প্রথমে সোঁফালে আৰু তিৰোতাই বাওঁফালে কাতি হৈ শুব। শয্যাত উঠি প্রথমে ধ্বজ, বজ্র, যব অঙ্কুশ, পঙ্কজ এই পঞ্চ চিহ্ন মনতে চিন্তা কৰি 'পদ্মনাভ' নাম তিনিবাৰ স্মৰণ কৰি নিদ্রা যাব। গুৰুৰ শিক্ষাই গাৰু স্বৰূপ আৰু নম্রতাকে তুলি বুলি ভাবি শুলে দুঃস্বপ্ন নাশ হয়।

১২। সাধু সকলে তলত উল্লিখিত বস্তু কেইটা সর্ব্বদায় বর্জন কৰা বিধেয়। যথা কানি, ভাং, ধপাত, ধতুৰা, মদ, পনৰু আৰু সকলো প্রকাৰ তামসিক আহাৰ।

১৩। যদি নিজে নাইবা আনৰ দ্বাৰা পাদ প্রক্ষালন কৰিব লগীয়া হয় তেতিয়া প্রথমে বাম পাদ আৰু পিছত দক্ষিণ পাদ প্রক্ষালন কৰিব লাগে। কাহৰ পাত্রৰ পানীৰে পাদ প্রক্ষালন নিষেধ।

১৪। ফুল পানীৰে ধোৱা নিষেধ। ফুল আৰু তুলসী চন্দন ছটিয়াই শুদ্ধ কৰিহে বিষ্ণু পূজা কৰা বিধেয়।

১৫। বিষ্ণু পূজাত অর্পিত নির্মালি প্রথমে ঘ্রাণ কৰি পিছত শিৰত ধাৰণ কৰিব লাগে। কাণত নির্মালি লোৱা অপৰাধ।

১৬। বিষ্ণু মন্দিৰ আৰু সত্রত প্রবেশ কৰোতে প্রথমে সোঁভৰি আগবঢ়াইহে ভিতৰত প্রবেশ কৰিব লাগে। তেনেদৰে সেৱাৰ অন্তত পিছুৱাই আহিঁ প্রথমে বাওঁভৰি আৰু পিছত সোঁভৰি পাৰ কৰিহে বাহিৰলৈ আহিব লাগে। বিগ্রহ বা থাপনাৰ পিনে পিছ দি আহিব নালাগে।

১৭। ভাগৱত পাঠৰ সময়ত পাঠকে ফটা চিটা কাপোৰ পিন্ধা আৰু ধৃতি গাঠিমাৰি পিন্ধা নিষেধ। পাঠৰ সময়ত তিনিখন বস্ত্র ব্যৱহাৰ কৰা বিধেয়।

১৮। পাঠকে ভাগৱত পঢ়ি থকা সময়ত হাচি আহিলে আৰু গুহ্যদ্বাৰেৰে বায়ু নিসৃত হলে শৰীৰৰ ওপৰ ভাগৰ সপ্তদ্বাৰ শুচি কৰিহে পুনৰ পাঠ আৰম্ভ কৰিব লাগে।

১৯। ভাগৱত পাঠ শুনি থকা শ্ৰোতা সকলে কেতিয়াও কোনো সময়তে আঠু বান্ধি বহি থাকিব নালাগে।

২০। সাধু মাত্ৰে ৰুচি বিবৰ্জিত হ'ব লাগে। মহাপ্ৰসাদ ভোজনৰ সময়ত কেচা লোণ আৰু জলকীয়া বিচাৰিলে সাধুজনৰ তম গুণৰহে পৰিচয় ওলাই পৰে।

আধাৰ পুথি— বৈষ্ণৱ নিত্য কৰ্ম।

⊙



ওঁ

# শিৱলিঙ্গ আৰু ইয়াৰ মাহাত্ম্য

শিৱায় শান্তায়কাৰণত্ৰয় হেতবে।
নিবেদয়ামি চাত্মানং ত্বংগতি পৰমেশ্বৰ॥

শৈৱ সম্প্ৰদায়ৰ মাজত শিৱৰ মূৰ্ত্তি পূজা নাই। শিৱলিঙ্গৰহে পূজা আছে। শিৱলিঙ্গক যোনিলিঙ্গও বোলা হয়। কাৰণ যোনি, লিঙ্গ শৈৱ সাধনাৰ প্ৰতীক; আনহাতে হিন্দু ধৰ্মত সকলো দেৱ-দেৱীৰ মূৰ্ত্তি আকাৰত পূজা অৰ্চনা কৰা হয়। কিন্তু ত্ৰিদশকোটি দেৱতাৰ অগ্ৰগণ্য শিৱৰ হলে মূৰ্ত্তিত পূজা নকৰে। শিৱৰ প্ৰতীক স্বৰূপে লিঙ্গতহে পূজা কৰে। ইয়াৰ কাৰণ সম্পৰ্কে নেপালত এটি জনপ্ৰবাদ আছে। প্ৰবাদটি এনেধৰণৰ—

এবাৰ প্ৰজাপতি ব্ৰহ্মা, সৰ্ব্বজীৱ পালক বিষ্ণু আৰু সৰ্ব্ব-মংগলময় শিৱৰ মাজত নিজ নিজ আত্মা দৰ্শনৰ দ্বাৰা নিজকে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ ঠিৰাং কৰিলে। তিনিওজনাৰ ভিতৰত শিৱকে কনিষ্ঠতম জ্ঞান কৰি স্নেহবশতঃ প্ৰথমে নিজ মাহাত্ম্য প্ৰকাশ কৰিবলৈ সুবিধা দিলে। তেতিয়া শিৱই নিজ লিঙ্গ ভাগক অলৌ-কিক শক্তিৰ দ্বাৰা দুই ভাগত বিভক্ত কৰি এভাগ উৰ্দ্ধৰ ফালে আৰু আন ভাগ অধঃ ফালে বঢ়াই দিলে। লগে লগে ই এটা বৃহৎ স্তম্ভ ৰূপে দৃশ্যমান হ'ল। তেতিয়া শিৱই ক'লে যে ব্ৰহ্মাই উৰ্দ্ধৰ ফালে গৈ লিঙ্গমূলত কি বস্তু আছে দৰ্শন কৰি আহি তেওঁক কব লাগে। আৰু বিষ্ণুয়ে অধঃ ফালে গৈ লিঙ্গমূলত কি বস্তু আছে

দৰ্শন কৰি আহি তেওঁক কব লাগে। অৱশ্যে তেওঁলোকে নিজ ইচ্ছানুযায়ী লগত সাক্ষী নিব লাগিব।

সেইমতে ব্ৰহ্মাই হংস যানত আৰু বিষ্ণুয়ে গৰুড় বাহনত উঠি একে সময়তে শিৱলিংগ স্বৰূপ স্তম্ভক আশ্ৰয় কৰি যাত্ৰা আৰম্ভ কৰিলে। ব্ৰহ্মাই সাক্ষী স্বৰূপে কামধেনু আৰু কেতেকী ফুলক লৈ গ'ল আৰু বিষ্ণুয়ে তিমিৰ নাশক সুদৰ্শন চক্ৰক সাক্ষী স্বৰূপে লৈ গ'ল।

ব্ৰহ্মাই এনে ভাৱে লিঙ্গমূল দৰ্শনৰ উদ্দেশ্যে আকাশ মাৰ্গত সহস্ৰ যোজন পথ অতিক্ৰম কৰিলে কিন্তু লিঙ্গমূল হ'লে দৰ্শন নেপালে। তেওঁ যিমান ওপৰলৈ গৈ থাকে লিঙ্গভাগো সিমানে উৰ্দ্ধৰ ফালে বাঢ়ি গৈ থাকে। বিস্ময় আৰু নৈৰাশ্যত ব্ৰহ্মা অভিভূত হৈ পৰিল। শেষত তেওঁ সাক্ষী দুটাৰ লগত আলোচনা কৰি সিদ্ধান্ত কৰিলে যে তেওঁলোক ইয়াৰ পৰা উভতি যাব কিন্তু উভতি গৈ তেওঁ শিৱক লিঙ্গমূল দৰ্শন কৰিহে যোৱা বুলি কব। এই ক্ষেত্ৰত দুয়োজনে এই কথা সত্য বুলি সাক্ষী দিব লাগিব। অন্যথাই সিহঁতক শাপি ভস্ম কৰিব। প্ৰথমতে সিহঁতে জানি বুজি এনে মিছা সাক্ষী দিবলৈ অমান্তি হৈছিল যদিও নিৰুপায়ত পৰি অভিশাপৰ ভয়তে কামধেনু আৰু কেতেকী ফুলে মিছা সাক্ষী দিবলৈ সন্মত হ'ল আৰু তিনিও শিৱৰ ওচৰলৈ উভতি আহিল।

ইফালে বিষ্ণুয়েও লিঙ্গমূল দৰ্শনৰ উদ্দেশ্যে সুদৰ্শন চক্ৰৰ প্ৰভাৱত অধঃ ফালে সহস্ৰ যোজন পথ অতিক্ৰম কৰিলে যদিও তেওঁ লিঙ্গৰ শেহান্তৰ ভাগ হ'লে দৰ্শন নেপালে। তেওঁ যিমানে যায় লিঙ্গভাগো বাঢ়ি গৈয়ে থাকে। শেষত উপায়ন্তৰ হৈ তেওঁ শিৱৰ ওচৰলৈ উভতি আহিল। দুয়োজনে শিৱৰ ওচৰত উপস্থিত হোৱাত শিৱই প্ৰথমতে ব্ৰহ্মাক প্ৰশ্ন কৰিলে যে তেওঁ লিঙ্গমূল দৰ্শন পালেনে? ব্ৰহ্মাই তপৰাই উত্তৰ দিলে হয়; তেওঁ দৰ্শন পাইছে। ইয়াৰ পিছত সাক্ষী দুটাকো সুধিলে। সাক্ষী দুটাও পূৰ্ব্বৰ চুক্তিমতে তপৰাই উত্তৰ



দিলে 'হয়' ব্ৰহ্মাৰ লগতে সিহঁতেও লিঙ্গমূল দৰ্শন লাভ কৰিছে। তেতিয়া অন্তৰ্যামী শিৱৰ পেটে পেটে হাঁহি উঠিল আৰু ইয়াৰ সত্যতা উদ্‌ঘাটনৰ বাবে উদ্যত হ'ল। তেতিয়া তেওঁ ব্ৰহ্মাক প্ৰশ্ন কৰিলে যে যদি সচাকৈ তেওঁ লিংগমূল দৰ্শন পাইছে তেনেহলে লিংগমূলত কেইটা চক্ৰ আছে আৰু ইয়াৰ বৰণ কেনে কব লাগে। এনে প্ৰশ্নত ব্ৰহ্মা নিমাত হ'ল। সাক্ষী দুটাৰ ফালে শিৱই কোপ দৃষ্টিৰে চোৱাত সিহঁতেও ঠৰ ঠৰ কৈ কঁপিবলৈ ধৰিলে। শেষত ভয়তে ভীত হৈ কেতেকী ফুলে কৈ দিলে যে আচলতে তেওঁলোকে লিংগমূল দৰ্শন পোৱা নাই। ব্ৰহ্মাই শাপ দিয়াৰ ভয়তে সিহঁতে মিছা সাক্ষী দিছে। তেতিয়া শিৱৰ ভীষণ খং উঠিল আৰু জগতৰ প্ৰজাপতি হৈও মিছা কোৱা অপৰাধত অভিশাপ দি কলে যে আজিৰ পৰা তেওঁক পৃথিবীৰ কোনো লোকে পূজা নকৰিব, লগে লগে মিছা সাক্ষী দিয়া বাবে কামধেনুক শাপ দি কলে যে তাইৰ গাখীৰ কোনোদিনে দেৱপূজাত নালাগিব আৰু তেনেদৰে কেতেকী ফুলো কোনো দিনে দেৱ পূজাত নালাগিব। সেই দিন ধৰি পৃথিবীত ব্ৰহ্মাৰ পূজা নিষিদ্ধ হ'ল।

ইয়াৰ পিছত শিৱই বিষ্ণুক সুধিলে যে তেওঁ সঁচাকৈ লিঙ্গমূল দৰ্শন পাইছেনে? তেতিয়া বিষ্ণুয়ে সঁচা কথা কলে যে তেওঁ আচলতে লিঙ্গমূল দৰ্শন নেপালে। তেওঁ যিমানে অধঃফালে যায় লিঙ্গ ভাগো সিমানে বাঢ়ি গৈ থাকে শেষত তেওঁ ক্লান্তি অনুভৱ কৰি উভতি আহিছে। প্ৰকাৰন্তৰে তেওঁ শিৱ মাহাত্মাৰ শ্ৰেষ্ঠত্ব মানি লৈছে। তেতিয়া শিৱই সেই কথাত পৰম আনন্দ পালে আৰু বিষ্ণুয়ে সঁচা কথা কোৱা বাবে বৰ দি কলে যে পৃথিৱীৰ লোকসকলে সকলো দেৱতাৰ ভিতৰত বিষ্ণুকে শ্ৰেষ্ঠ জ্ঞান কৰি পূজা কৰিব। সেইদিন ধৰি বিষ্ণু সৰ্বদেৱ মান্য হ'ল।

তেতিয়া বিষ্ণুয়ে কলে যে যিহেতুকে প্ৰজাপতি ব্ৰহ্মা আৰু তেওঁ নিজে শিৱলিংগৰ অলৌকিক মহিমাৰ আদি অন্ত বিচাৰি নেপালে সেয়ে আজিৰ পৰা পৃথিৱীৰ লোক সকলে মনোবাঞ্চা

পূৰণাৰ্থে শিৱলিঙ্গতহে পূজা অৰ্চনা কৰিব। সেইদিন ধৰি পৃথিৱীত শিৱলিঙ্গৰ পূজা প্ৰচলন হবলৈ ধৰিলে।

অথৰ্ব্ববেদত ব্ৰহ্মাণ্ডক তলৰপৰা ওপৰলৈ ভেদকৰি এটা স্তম্ভ থিয় হৈ থকাৰ কথা কোৱা আছে। ই এটা জ্যোতিৰ্ময় স্তম্ভ। ই পৃথিৱীৰ সকলো চেতন অচেতন বস্তু আৰু আনকি চৈধ্যভূৱনক ভেদ কৰি আছে।

ঋকবেদত এই জ্যোতিৰ্ময় স্তম্ভক প্ৰাণ সঞ্জীৱিত অমৃতময় সম্পদ বুলি বৰ্ণনা কৰা আছে। শিৱ পুৰাণৰ বিদ্যেশ্বৰ সংহিতাৰ দশম অধ্যায়ত এই জ্যোতিৰ্ময় স্তম্ভ সম্বন্ধে উল্লেখ আছে।

এই শিৱলিঙ্গক যোনিলিঙ্গ কয় যদিও আচলতে ই জাগ্ৰত চেতনাৰ প্ৰতীক বুলিহে কব লাগিব। কাৰণ শিৱলিঙ্গৰ যোনিপীঠ গোলাকাৰ আৰু ইয়াৰ শীৰ্ষভাগত কোনো ছিদ্ৰ নাই। ই নাৰী-পুৰুষৰ কাম ইন্দ্ৰিয়ৰ প্ৰতীক নহয়। ই সম্পূৰ্ণ বিকাৰ শূণ্য। সেয়ে ব্ৰহ্মচাৰী, বানপ্ৰস্থী, দীগম্বৰ, উৰ্দ্ধৰেতা সাধু সন্নাসী সকলে এই শিৱলিঙ্গ পূজা কৰিয়ে কায়সিদ্ধি স্তৰত উপনীত হয়।

গীতা ভাষ্য আৰু বেদ সাহিতাত যোনি শব্দৰ অৰ্থ অকল নাৰীৰ যৌনাঙ্গৰ কথাকে কোৱা হোৱা নাই। গীতাত কৈছে "মম যোনিৰ্মহদ ব্ৰহ্ম তষ্মিন গৰ্ভং দদাম্যহম" অৰ্থাৎ প্ৰকৃতি বীজ মোৰ যোনিস্বৰূপা আৰু মই তাতে মায়াৰূপ কৰি গৰ্ভধাৰণ কৰাও আৰু কৈছে— "সম্ভবঃ সৰ্ব্বভূতানাং ততো ভবতি ভাৰত" হে ভাৰত ইয়াৰ পৰাই সমগ্ৰ জীৱ আৰু বিশ্ব চৰাচৰৰ উদ্ভৱ হৈছে। আকৌ কোৱা হৈছে—

"সৰ্ব্ব যোনিষু কৌন্তেয় মূৰ্ত্তয়ং সম্ভবন্তি যাঃ তাসাং ব্ৰহ্ম মহদ্ যোনিৰহং বীজপ্ৰদঃ পিতা"।

হে কৌন্তেয়, সমস্ত যোনিত যিবোৰ জীৱ জন্ম হয় মায়া তেওঁলোকৰ মাতৃ আৰু মই তেওঁলোকৰ গৰ্ভত স্থিতি কৰোতা পিতা। আকৌ ঋকবেদত কোৱা হৈছে— জীৱো মৃতস্য চৰতি স্বধাভিৰ



মৰ্ত্ত্যো মেৰ্ত্ত্যেন স যোনিঃ। অৰ্থাৎ জীৱিত মৃত, মৰ্ত্ত্য অমৰ্ত্ত্য সকলোৱেই এক যোনিৰ মাজত নিজ নিজ স্থানত অধিষ্ঠিত।

শিৱলিঙ্গৰ পৰা শক্তি বিচ্ছুৰিত হয় কাৰণেই শক্তিৰূপী আদি ৰসক সৃষ্টিৰ আদি ৰস কোৱা হয়। শিৱলিঙ্গকেই পৃথিৱীৰ আদিনাথ বুলি শিৱলিঙ্গৰ মূৰত পূজা অৰ্চনা কৰাৰ নিয়ম চলি আহিছে আৰু এই পূজাৰ সামগ্ৰীও পাঁচ প্ৰকাৰ। যেনে পানী, এৱাগাখীৰ, দৈ গাখীৰ, ঘিউ আৰু মৌ। প্ৰবাদ আছে যে শিৱ চতুৰ্দ্দশীৰ দিনা এই পঞ্চদ্ৰব্যৰে নিশা চাৰিপ্ৰহৰতে শিৱলিঙ্গত বিধিগতভাৱে পূজা অৰ্চনা কৰিলে মানুহৰ যি কোনো কামনা পূৰ্ণ হয়। নাথ যোগী সকলে শিৱকেই আকাশ বুলি ব্যোম শিৱধ্বনি কৰে।

শিৱতত্ব মতে সৃষ্টিৰ প্ৰাক্‌কালিন সৃষ্টিকাৰিণী শক্তিক বিন্দু কোৱা হৈছে। এই বিন্দুতত্বই পৰম আৰু চৰমতত্ব। অৰ্থাৎ সৃষ্টিৰ মূলতত্ব।

জন প্ৰবাদটি ১৯৯৩ ইং চনৰ জুলাই মাহত আমি নেপাল ভ্ৰমণৰ সময়ত সংগ্ৰহ কৰা হৈছিল।

# ওঁ
# মানৱ জীৱনৰ কৰ্ত্তব্য

বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰাণীসমূহৰ ভিতৰত শ্ৰেষ্ঠ কোন বুলি প্ৰশ্ন কৰিলে উত্তৰ পোৱা যায় মানৱ। কাৰণ আন জীৱতকৈ জ্ঞান নামৰ বিশেষ গুণৰ অধিকাৰী এওঁলোক। কিন্তু সৰহভাগ লোকে প্ৰকৃত জ্ঞানৰ অভাৱত মানৱ জীৱনৰ মূল কৰ্ত্তব্য 'মই কোন আৰু মই কি' এই চিন্তাৰ পৰা ফালৰিকাটি অহা দেখা যায়। ইয়াৰ প্ৰকৃত কাৰণ অনুসন্ধান কৰিলে দেখা যায় যে সেই সকল লোকে সৎগুৰুৰ কৃপা লাভৰ পৰা বঞ্চিত হৈ আছে।

এই সংসাৰত মানুহ তিনি শ্ৰেণীত বিভক্ত যথা— বিষয়ী. মুমুক্ষু, আৰু মুক্ত। এই তিনি শ্ৰেণী (তিনিটা স্তৰ) মানুহৰ বিষয়ে জানিবলৈ হ'লে জীৱৰ প্ৰকৃত স্বৰূপনো কি সেই বিষয়ে প্ৰথমে কিছু জনা প্ৰয়োজন।

জীৱ আত্মাৰ স্বৰূপ নিত্য মুক্ত। সেই জীৱৰ শোক, মোহ, জৰা, মৃত্যু একোৱেই নাই। কিন্তু জীৱৰ জন্ম মৃত্যুৰ কথা যে কোৱা হয়, সেইটো দেহৰ উপাধিৰ উৎপত্তি, লয় আদি লক্ষ্য কৰিহে কোৱা হয়। জীৱ পৰম ব্ৰহ্মৰ অধিকাৰী তেওঁ যেতিয়া দেহ উপাধি ধাৰণ কৰে তেতিয়া জীৱ ভাৱে অৱস্থান কৰে। অখণ্ড চৈতন্য পৰামাত্মাই খণ্ড চৈতন্য জীৱভাৱে অৱলম্বন কৰি অৱস্থান কৰিলে সেই-টোকে তেওঁৰ বদ্ধ অৱস্থা বুলি কোৱা হয়। এই অৱস্থাত জীৱে নিজৰ স্বৰূপ ভুলি গৈ সুখ, দুখ. ভোগ বিলাস, জন্ম. মৃত্যুৰ অধীন হৈ পৰে। এতিয়া প্ৰশ্ন হয় জীৱৰ এই ভ্ৰান্তি কিয় ঘটে আৰু কোনে ঘটায়?



উত্তৰত পোৱা যায় অবিদ্যায়। অৱশ্যে এইটোও ঈশ্বৰৰ মায়া শক্তিৰ এটি অংশ। কাৰণ অবিদ্যাকে অজ্ঞান আৰু মায়া বুলিও কয়। জীৱে ইয়াৰ পৰা মুক্ত হোৱা বৰ কঠিন। জীৱে তাৰ এই বদ্ধ অৱস্থাত অবিদ্যাৰ দ্বাৰা বশীভূত হৈ ঘোৰবিষয়ী হৈ পৰে আৰু নানাবিধ কামনা বাসনাৰ বশবৰ্ত্তী হৈ কাৰ্য্য কৰোতে কৰোতে অসংখ্য আশা পাশত আবদ্ধ হয় আৰু ৰিপু গণৰ বশবৰ্ত্তী হৈ দিনক দিনে অতি গভীৰ অজ্ঞানৰূপ অন্ধকাৰত প্ৰবেশ কৰে। ফলস্বৰূপে নিজৰ স্বৰূপ আত্মাৰ কথা সমূলি পাহৰি যায় আৰু অনেক নিকাৰ ভোগ কৰে। উপনিষদে এনে জীৱক 'আত্মাহানো জীৱাঃ' অৰ্থাৎ আত্মাঘাতী জীৱ বুলি কৈছে। এই শ্ৰেণী (স্তৰ টোকে) লোককে বিষয়ী বুলি কোৱা হয়।

কিন্তু আনহাতে এই অবিদ্যা শক্তিয়ে যেনেকৈ জীৱৰ অন্তৰত থাকি তাক সংসাৰত আৱদ্ধ কৰিছে তেনেকৈ সেই অন্তৰতে ৰিদ্যমান আন এটি শক্তিয়ে তাক অবিদ্যাৰ হাতৰ পৰা মুক্ত কৰিবলৈ অহৰহ যত্নপৰ হৈ আছে। এই শক্তিৰ নাম বিদ্যা অৰ্থাৎ জ্ঞান। এই-টোও ভগবানৰ মায়া শক্তিৰ আন এটা অংশ। যি হৃদয়ত ৰজ, তম গুণক পৰাভৱ কৰি সত্ব গুণৰ অভিব্যক্তি ঘটে সেই হৃদয়তেই বিদ্যাশক্তিৰ বিকাশ হয়। কাৰণ সত্ব গুণৰ কাৰ্য্য জ্ঞানৰ প্ৰকাশ। অবিদ্যাৰ প্ৰভাৱত জীৱ বন্ধন আৰু বিদ্যাৰ প্ৰভাৱত মোক্ষ সাধন হয়। ভগবানে তেওঁৰ পৰম ভক্ত উদ্ধৱক কৈছে হে উদ্ধৱ! বিদ্যা আৰু অবিদ্যা মোৰেই মায়াৰ দ্বাৰা নিৰ্মিত। বিদ্যা হ'ল মুক্তিদাত্ৰী আৰু অবিদ্যা বা মায়া হৈছে বন্ধন কাৰিণী। এক মনেই বন্ধ আৰু মোক্ষ দুয়োটা কাৰ্য্য কৰে। "মন এব মনুষ্যানাং কাৰণং বন্ধ মোক্ষয়ো।" "ভ্ৰান্তি বদ্ধো ভবেৎ জীৱ ভ্ৰান্তি মুক্তো সদাশিৱ॥' আৰু কোৱা হৈছে— অবস্তুক দেখাৱয় বস্তুক আৱৰি

সেহিসে মায়াৰ ৰূপ জানা নিষ্ঠ কৰি"

জীৱ যেতিয়া মুক্ত অবস্থাত থাকে তেতিয়া তেওঁ শিৱ অৰ্থাৎ মংগলময় আৰু যেতিয়া পঞ্চভূতি মায়ামৰ দেহত প্ৰবেশ কৰে

তেতিয়া তেওঁ মায়াত ভোল গৈ নিজক পাহৰি শিৱ ভাব এৰি জীৱ ভাবত পৰিণত হয়। অৱশ্যে সৎগুৰুই দিয়া সাধন কৌশলৰ দ্বাৰাই ক্ৰমে ক্ৰমে মায়াৰ বন্ধন খুলিব পাৰিলে পুনৰ জীৱই শিৱত্ব প্ৰাপ্ত হয়।

নিজৰ কৰ্মফলৰ দ্বাৰাই ভগৱানৰ কৃপাত যি সকল জীৱৰ হৃদয়ত আত্মা অনাত্মা বিচাৰৰ উদয় হয়, সেই সকল জীৱেই নিজৰ স্বৰূপ জানিবলৈ আকুল হৈ পৰে আৰু (জন্ম, জৰা, মৃত্যু) আধি দৈবিক আধি ভৌতিক আৰু আধ্যাত্মিক এই ত্ৰিতাপৰ জ্বালাময় সংসাৰৰ বৈতৰণী স্বৰূপ মহানদীৰ পাৰত উঠিবলৈ অৰ্থাৎ মুক্তি পাবলৈ যত্নপৰ হয়। অবিদ্যাৰ মোহপাশ ছিন্ন কৰিবৰ কাৰণে যি সকলৰ অতি আগ্ৰহ জন্মে সেই সকল জীৱেই মুমুক্ষু।

আকৌ বিদ্যা (জ্ঞান) যেতিয়া তেওঁৰ সহায় হয়, তেতিয়া তেওঁৰ সত্ব গুণ দিনক দিনে বৃদ্ধি পায়। মুমুক্ষু লোকে যেতিয়া নিজৰ সাধনাৰ বলত সত্ব, ৰজ, তম এই তিনি গুণক অতিক্ৰম কৰি তত্ত্বজ্ঞান লাভ কৰে তেতিয়া তেওঁ মুক্ত হয়। সংসাৰৰ আসক্তি ৰূপ পাপ তাপে তেওঁক স্পৰ্শ কৰিব নোৱাৰে। মুক্ত পুৰুষ সংসাৰ বন্ধনৰ উৰ্দ্ধত।

আমি বিষয়ী জীৱে সংসাৰখন যে অসাৰ, মায়াময় মাজে মাজে ভাবো, অনুভবো কৰো। কিন্তু পিছ মুহূৰ্ত্ততেই অবিদ্যাই সকলোকে বিভ্ৰমত পেলায়। এই বিদ্যা অবিদ্যাৰ খেলা বা যুদ্ধ জীৱৰ অন্তৰত অহৰহ চলিয়েই আছে। এয়েই গীতাৰ কুৰুক্ষেত্ৰ যুদ্ধ আৰু চণ্ডীৰ দেৱ-অসুৰৰ যুদ্ধ বুলিব পাৰি। শেষত বিদ্যাৰেই জয় হয়। তেতিয়াহে মুমুক্ষু জীৱৰ মনত চিন্তাৰ উদয় হয়।

'দৃষ্ট দোষোঽপি বিষয়ে মমত্বাকৃষ্ট মানসৌ'— বিষয়ৰ অনেক বোৰ দোষ দেখিও মন কিয় তাত আকৃষ্ট হয়— এই ৰূপ চিন্তাই মুমুক্ষু জীৱৰ পৰমাৰ্থ সাধনৰ প্ৰথম সোপান স্বৰূপে দেখা দিয়ে। ভাগ্যবান জীৱৰহে এনেধৰণৰ চিন্তা আহে। অবিদ্যা বিমোহিত



ৰজো গুণৰ দ্বাৰা কাম ক্ৰোধৰ উৎপত্তি হয়। ইহঁত অতি পাপীষ্ঠ আৰু জীৱৰ পৰম বৈৰী। বিদ্যা অৰ্থাৎ জ্ঞানৰ প্ৰভাৱত অবিদ্যা মায়াৰ হাত এৰাব পাৰিলে এই মোহ আৰু নাথাকে। অৱশ্যে এই কাম সাধন মাৰ্গৰ জৰিয়তেহে সম্ভব হয়। যি পৰ্য্যন্ত জীৱে আত্মতত্ত্ব ভুলি বিষয় ভোগত আসক্ত হৈ থাকে আৰু মায়াৰ সম্মোহন মন্ত্ৰত ভোল গৈ ভৱ বজাৰত দৌৰি ফুৰে তেতিয়ালৈকে তেওঁ বদ্ধ অৱস্থাতে থাকে। কিন্তু সৎগুৰুৰ কৃপাত আত্মতত্ব পৰিজ্ঞাত হৈ মকৰন্দ ৰসৰ অনুসন্ধানত নিযুক্ত হলে সাধনাৰ ফল স্বৰূপে পিচত গৈ মায়ামুক্ত হয়। আৰ্য্য ঋষিসকলে এই সাধন মাৰ্গক দুই ভাগত ভাগ কৰিছে যথা— শাক্ত আৰু বৈষ্ণৱ। জনচেৰেক পণ্ডিতে ব্যাকৰণৰ সূত্ৰৰ যুক্তি মতে বিষ্ণুৰ উপাসকক বৈষ্ণৱ আৰু শক্তিৰ উপাসকক শাক্ত বুলি কব খোজে। কিন্তু আচলতে সেইটো সাধনাৰ স্তৰভেদেহে প্ৰযোজ্য। জীৱে যিমান দিন প্ৰকৃতি বা মায়াৰ অধীনত থাকি ৰূপ, ৰস, গন্ধ, স্পৰ্শ শব্দ আদিত মোহিত হৈ কামনা বাসনা আদিৰ দাস হৈ থাকে তেতিয়ালৈকে তেওঁ বদ্ধ জীৱ। কাৰণ তেওঁ মায়া শক্তিৰ আবৰণৰ ভিতৰত থাকে। জীৱ তেতিয়ালৈকে আশাবাদী, ফলভোগী। তেতিয়া তেওঁ শাক্তৰ সেৱক। আপাততঃ শাক্তই মায়াক বশীভূত কৰিবলৈ সাধন কৰে। কিন্তু যেতিয়া তেওঁ সাধন মাৰ্গৰ দ্বাৰা উৰ্দ্ধগতি লাভ কৰি প্ৰকৃতিৰ সমস্ত বিকাৰ শূণ্য হৈ মায়াক নিজৰ নিয়ন্ত্ৰণত ৰাখি তাৰ ওপৰত স্বামীত্ব ৰূপে আধিপত্য চলাব পাৰে তেতিয়াহে তেওঁ মায়ামুক্ত হয় আৰু তেতিয়াহে তেওঁ বৈষ্ণৱ হয়। বৈষ্ণৱে মায়াশক্তিক জয় কৰে। অৱশ্যে জীৱে বৈষ্ণৱ হব নোৱাৰিলে মুক্তি নাপায়। ই ধ্ৰুৱ সত্য।

মানৱ মাত্ৰেই অমৃতৰ সন্তান। সেয়েহে সৎ গুৰুত শৰণ (আশ্ৰয়) লৈ যোগাভ্যাসৰ দ্বাৰাই আত্মসংযমী হ'ব লাগিব। সংযমী জীৱেহে বিষয় বাসনাৰ প্ৰতি অনাসক্ত হৈ ঐকান্ত ভক্তিৰ মাজেৰে আত্মচৈতন্য জগাই তুলি পৰম আৰু চৰম লক্ষত উপনীত হ'ব পাৰে।

সংসাৰৰ ভিতৰত সৃষ্টি আৰু প্ৰলয়কাৰিণী যি মায়া সি নদীৰ স্বৰূপ আৰু দুইদিকে বহনশীলা কাম, ক্ৰোধ, অহংকাৰ আদি ৰিপু বিলাক অতিশয় বেগবান। এই প্ৰবল বেগৰ সোঁতত বিবশ হৈ যি ব্যক্তিয়ে উক্ত নদীৰ প্ৰকৃত তথ্য বিচাৰ নকৰি কৰ্ম কৰে তেওঁ পদে পদে বিফল হয়। মাধৱ পুৰুষে কৈছে—

যতেক অনৰ্থ আছে সংসাৰত
তাতে তিনি বিধ সাৰ।
কাম ক্ৰোধ লোভ আপোন নাশন
জানি কৰা পৰিহাৰ॥

(নামঘোষা)

সংসাৰৰ মায়াৰ প্ৰবাহেই (জন্ম, মৃত্যুৰ সোঁত) বৈতৰণী নদী। এই নদী পাৰ হবলৈ গো দান দিব লাগে। গো শব্দে বেদ, গো শব্দে ইন্দ্ৰিয়ক বুজায়। ইয়াৰ গতি বহিৰ্মুখী, বিষয়মুখী। গতিকে ইন্দ্ৰিয়বিলাকক বিষয়ৰ পৰা প্ৰত্যাবৰ্ত্তন কৰাই অন্তঃমুখী কৰিলেহে গো দান কৰা হয়। এই গো দান কৰিলেহে সংসাৰ ৰূপ বৈতৰণী জীৱে পাৰ হ'ব পাৰে। তেতিয়াহে মানৱ জীৱনৰ প্ৰকৃত বৰ্ত্তব্য কৰা হয়।



ওঁ

# নাম ধন পৰম ধন

বেদৰ বিহিত যত আছে ধৰ্ম সংসাৰত
সবে হৰি নামৰ কিঙ্কৰ।
হেন জানি যিটোজনে নামৰ কীৰ্ত্তন কৰে
সেহিসে পৰম সাধু নৰ॥ (নামঘোষা)

ধন বুলি কলে আমি সাধাৰণতে টকা পইচাকে বুজো। কিন্তু পৰমাৰ্থিক বিচাৰত এই পাৰ্থিব ধনক ধন বোলা হোৱা নাই। কাৰণ এই পাৰ্থিব ধন যাৰ যিমান বাঢ়ি যায় সিমানে আহুকালহে বাঢ়ে আৰু শেষত এই ধনে মনুষ্যৰ অশান্তিৰ কাৰণ হৈ পৰে। এনে ধন সামান্য বিনাশ হলেও শান্তি ভঙ্গ হয়। সেয়েহে প্ৰকৃত ভকতে এনে ধনক বিষ্ঠা সদৃশ জ্ঞান কৰে। মাধৱ পুৰুষে নাম ঘোষাত কৈছে— বিষয়ৰ সুখ য'ত সকলো অসাৰ।
জানিয়া ভকতে তাক কৰে পৰিহাৰ॥

আজিৰ বিশ্বত অশান্তি ঘটাৰ মূলতে এই পাৰ্থিব ধনৰ প্ৰতি আসক্তি আৰু বৃদ্ধিৰ কাৰণ বুলিয়ে কব লাগিব। তেনেহলে শাস্ত্ৰ আৰু গুৰু গোবিন্দ সকলে কিহক প্ৰকৃত ধন বুলি কৈছে? উত্তৰত আমি পাওঁ যে সেই ধন হ'ল নাম ধন। নাম ধন হে মহাধন। কাৰণ এই ধনৰ কোনোকালে বিনাশ নাই। ই অক্ষয়, অব্যয় শাশ্বত। নামধনৰ আশ্ৰয়ত থকা জীৱেহে সততে প্ৰকৃত শান্তি লভিব পাৰে। অনাদি নামৰ বিষয়ে গীতাত ভগৱান কৃষ্ণই নিজে কৈছে।

আগে নাম ভৈলা সখি আমি ভৈলো পাচে।
সিকাৰণে বেদ শাস্ত্ৰ নামে বন্ধা আছে॥

সীতা উদ্ধাৰৰ সময়ত সেতু বান্ধোতে শ্ৰীৰাম চন্দ্ৰই নিজহাতে দিয়া শিলবোৰ সাগৰত ডুব গৈছিল। কিন্তু নাৰদৰ উপদেশ মৰ্মে শিলবোৰত ৰাম নাম লিখি দিয়াতহে শিলবোৰ ওপঙি উঠিছিল। ইও নামৰে মাহাত্ম্য বুলিয়ে ক'ব লাগিব। অৱশ্যে এই নামৰ তাৎপৰ্য বুজিবলৈ হলে সৎগুৰুত শৰণ (আশ্ৰয়) লব লাগিব। `বিনা গুৰু শৰণে জীৱন নিষ্ফল। শাস্ত্ৰত কোৱা হৈছে—

অদীক্ষিতোঽপি মৰণে ৰৌৰৱং নৰকং ব্ৰজেৎ।
অদীক্ষিতস্য মৰণে পিশাচং ন মুঞ্চতি॥

(স্কন্দ পুৰাণ)

অৰ্থাৎ অদীক্ষিত লোকৰ মৃত্যু হ'লে ৰৌৰৱ নৰকত বাস হয়। আৰু পিচত পিশাচ জন্ম ধৰে। সেয়েহে অদীক্ষিত লোকে কেতিয়াও নামৰ সন্ধি উপলব্ধি কৰিব নোৱাৰে। মুক্তি তেওঁলোকৰ সমুদ্ৰৰ সিপাৰ। মাধৱ পুৰুষে আমাক ভকত সঙ্গে নামৰহে দোকানী হবলৈ কৈছে—

ৰাম নাম লৈয়ো মন তেজ আশা আন।
ভকতৰ সঙ্গে পাতো নামৰ দোকান॥

জীৱে যদি লোভ মোহ, কাম ক্ৰোধৰ বশবৰ্ত্তী হয় সেই জীৱে কেতিয়াও নাম ধনৰ পৰম তত্ত্ব উপলব্ধি কৰিব নোৱাৰে। লোভ মোহ নৰকৰহে দ্বাৰ। শাস্ত্ৰত কৈছে—

লোভাৎ ক্ৰোধঃ প্ৰভৱতি লোভাৎ কামঃ প্ৰজায়তে।
লোভান্মোহশ্চ নাশশ্চ লোভঃ পাপস্য কাৰণম্॥

অৰ্থাৎ লোভৰ পৰা ক্ৰোধৰ জন্ম হয়, লোভৰ পৰা কাম ভাব জন্মে. লোভৰ পৰা মোহ জন্মে। লোভে জীৱৰ বিনাশ ঘটায়। লোভেই পাপৰো কাৰণ। আকৌ কোৱা হৈছে—



লোভঃ প্ৰজ্ঞানমআহন্তি প্ৰজ্ঞা হন্তি হতা হ্ৰিয়ং।
হ্ৰীৰ্হতা বাধতে ধৰ্মং ধৰ্মো হন্তি হতঃ শ্ৰিয়ম্॥

অৰ্থাৎ লোভে প্ৰজ্ঞা নষ্ট কৰে। প্ৰজ্ঞা নষ্ট হ'লে হ্ৰী (লজ্জা) নষ্ট হয়। ধৰ্ম নষ্ট হ'লে শ্ৰী নষ্ট হয় অৰ্থাৎ জীৱ হতশ্ৰী হয়। বিষয়ী লোক সকলৰ প্ৰতি পদ্ম পুৰাণত কৈছে—

মম পিতা মম মাতা মমেয়ং গৃহিনী গৃহম্।
এবম্বিধং মমত্বং যং স মোহ ইতি কীৰ্ত্তিতঃ॥

অৰ্থাৎ মোৰ পিতা, মোৰ মাতা, মোৰ ভাৰ্যা, মোৰ গৃহ এই ধৰণে মোৰ ভাবৰ নাম মোহ। কাম ৰিপুও জীৱৰ সৰ্বনাশৰ মূল। কিন্তু হৰি নামৰ সংসৰ্গত থাকিলে আটাইবোৰ ৰিপু শোধন হৈ বশীভূত হয়। ৰিপু শোধিত জীৱহে ঈশ্বৰৰ সংসৰ্গলৈ যাব পাৰে। নাম ঘোষাত কৈছে—

ৰাম কৃষ্ণ কীৰ্ত্তনে স্বভাৱ ভৈলা যাৰ।
সিও ভৈল হৰিৰ হৰিও ভৈলা তাৰ॥

সেয়েহে শাস্ত্ৰকাৰ গুৰু সকলে এই নাম ধনকে ধৰ্মৰ মূল আধাৰ বুলি কৈছে। প্ৰাৰ্থিব ধন বাঢ়িলে লোকৰ মদ বাঢ়ে আৰু মদান্ধ জীৱৰ ধৰ্ম ভ্ৰষ্ট হয়। কিন্তু নাম ধন বাঢ়িলে লোকৰ প্ৰজ্ঞা বাঢ়ে আৰু প্ৰজ্ঞা বাঢ়িলে ঈশ্বৰতত্ত্ব জ্ঞান, পৰমতত্ত্ব জ্ঞান ওপজে। জীৱে মুক্তি পথৰ সন্ধান পায়।

আমাৰ সকলোৰে মুখত এটা কথা সঘনে শুনা যায় যে 'কৰ্মইহে ধৰ্ম।' কিন্তু প্ৰকৃত কৰ্ম কাক বোলে আমি জানিব লাগিব। গীতাত ঈশ্বৰৰ অৰ্থে কৰা কৰ্মকহে প্ৰকৃত কৰ্ম বোলা হৈছে। বাকী কৰ্মক ব্যাপাৰ বোলা হৈছে। অৰ্থাৎ আত্মাৰ কৰ্মইহে প্ৰকৃত কৰ্ম, আত্মাৰ ধৰ্মইহে প্ৰকৃত ধৰ্ম। আকৌ আত্মা সম্পৰ্কে আমি জানিবলৈ ইচ্ছা কৰিলে ইয়াৰ পঞ্চ স্তৰ উপলব্ধি কৰিব পাৰো। যথা— জীৱাত্মা, পৰমাত্মা, ভূতাত্মা, আত্মাৰাম আৰু আত্মাৰামেশ্বৰম্। আনহাতে জীৱৰ প্ৰকাৰ ভেদ জানিবলৈ বিচাৰিলেও

আমি ইয়াক পাঁচ প্ৰকাৰে উপলব্ধি কৰিব পাৰো। যথা- স্থূলজীৱ, সূক্ষ্মজীৱ, বদ্ধজীৱ. তটস্থজীৱ আৰু মুক্তজীৱ। জীৱে নামৰ আশ্ৰয়ত থাকি ভক্তিমাৰ্গত যিমানে আগবাঢ়ি যাব পাৰে সিমানে এই ত্যাগৰ স্তৰ সমূহ অতিক্ৰম কৰি কৰি শেষত আত্মাৰামেশ্বৰম্ স্তৰলৈ উন্নীত হ'ব পাৰে আৰু শেহান্তত মুক্ত জীৱেহে 'অহংব্ৰহ্মাস্মি' কোৱাৰ সামৰ্থ লাভ কৰে।

আমি ধৰ্ম কৰিব লাগে। এনে উক্তি সত্য। কিন্তু বহিৰঙ্গ ধৰ্মই জীৱক সুখ দিব নোৱাৰে। অন্তৰঙ্গ ধৰ্মইহে আমাক শান্তি দিব পাৰে। আত্মাৰ ধৰ্মইহে প্ৰকৃত স্বধৰ্ম। ভগবানক লাভ কৰা কাৰ্যইহে স্বধৰ্ম। আনবোৰ পৰধৰ্মহে। পৰধৰ্ম ভয়াবহ। আনহাতে জীৱৰ চাৰিটা ধৰ্ম আছে। শোৱা, খোৱা, সতি-সন্তান জন্ম দিয়া আৰু ভয়। তাৰ ভিতৰত আহাৰ শুদ্ধিতাৰ ওপৰতে বাকী তিনিটা নিৰ্ভৰ কৰে। শুদ্ধ আহাৰীজনকহে প্ৰকৃত মানৱ. প্ৰকৃত সিদ্ধ পুৰুষ বুলিব পাৰি। ৰুচিপূৰ্ণ আহাৰ ৰজ গুণী আৰু তম গুণী লোকৰহে প্ৰিয়। কিন্তু ৰুচিহীন আহাৰ সৎ গুণীৰ প্ৰিয়। উত্তানপাদ ৰজাৰ দুই ভাৰ্যা সুনীতি আৰু সুৰুচি। জীৱে সুনীতিত থাকিলেহে ধ্ৰুৱৰ দৰে পৰম সত্যৰ সন্ধান পাব। ৰুচিত লোভাকৃষ্ট হ'লে উত্তমৰ দৰে অধোগতি আৰু বিনাশ অনিবাৰ্য। আমি গৃহবাসী লোক সকলে সাধাৰণতে চাৰিওফালে চাৰিটা গৃহ সাজি বাস কৰি থাকো। সেই গৃহবোৰৰ সততে যত্ন লও। মানৱ দেহৰ ভিতৰতো পঞ্চ গৃহ (আলয়) আছে। যথা শৌচালয়, স্নানালয় ভোজনালয়, বিদ্যালয় আৰু দেৱালয়। যি জনৰ এই পঞ্চ আলয় নিতোল তেওঁকহে প্ৰকৃত সিদ্ধ পুৰুষ বুলিব পাৰি।

'সৎ সঙ্গই সবাৰো মূল' বুলি বচন এফাকি আছে। সেয়েহে আমি সততে অসৎ সঙ্গ পৰিত্যাগ কৰি চলিব লাগে। নাৰদীয় ভক্তি সূত্ৰত কোৱা হৈছে— দুঃ সঙ্গং সৰ্ব্বথৈব ত্যাজ্যঃ। অৱশ্যে কুসঙ্গ বোলোতে কেৱল কুচৰিত্ৰৰ লোক সকলৰ লগত সঙ্গ কৰা আৰু



আলাপ আলোচনা কৰাকে নুবুজায়। কুগ্ৰন্থ অধ্যায়ন, কুচৰিত্ৰ দৰ্শন, কুসঙ্গীত শ্ৰবণ, কুবাক্য কথন আদি সকলোবোৰে কুসঙ্গৰ অঙ্গাঙ্গী। কুসঙ্গই জীৱৰ অধঃপতনৰ কাৰণ। অধঃপতিত জীৱে নামধনৰ মোল বুজিব নোৱাৰে।

কলি কালত সকলো শাস্ত্ৰই একমাত্ৰ হৰিৰ নামতহে প্ৰাধান্য দিছে। আকৌ নাম কীৰ্ত্তন নকৰা সকলক মাধৱ পুৰুষে পশুতকৈও অধম বুলি কৈছে—

হৰি কীৰ্ত্তনত নকৰে ৰতি।
পশুতো অধম সিটো কুমতি॥

আকৌ বৃহন্নাৰদীয় পুৰাণত ১২৬ নং পাদত দেৱঋষি নাৰদে কৈছে—

হৰেৰ্নামৈব নামৈব নামৈব মম জীৱনম্।
কলৌ নাস্ত্যেব নাস্ত্যেব নাস্ত্যেব গতিৰণ্যথা॥

গতিকে কলিকালত নামামৃতৰ ব্যতিৰেকে উদ্ধাৰৰ আন গতি নাই। ই ধ্ৰুৱ। সেয়েহে প্ৰকৃত শান্তি পাবলৈ হ'লে ধৰ্মৰ নামত চলি থকা সকলো প্ৰকাৰ জাতিভেদ. অস্পৃশ্যতা আৰু গোৰামী পৰিহাৰ কৰি পাৰ্থিব ধনতকৈ নাম ধনত প্ৰাধান্য দিলে জীৱৰ ভুক্তি মুক্তি আৰু সামফল অনিবাৰ্য।

⊙

ওঁ

# তত্ত্ব জ্ঞান

শাস্ত্রক পঢ়য় কিন্তু তত্ত্ব নজানয়।
জানিবাহা কোনো কালে তাহাৰ গতি নাই ॥

ভাগৱতৰ এই পদ ফাকিয়ে আমাক কৈছে যে আমি শাস্ত্রবোৰ পঢ়িলেই নহব তাৰ আভ্যান্তৰীণ তত্ত্ববোৰ বুজিব লাগিব। ধৰ্ম কৰ্মৰ নিগূঢ় তত্ত্ববোৰ উপলব্ধি কৰিব লাগিব।

এই তত্ত্ব সম্পৃৰ্কে আমি অনুধাবন কৰিলে অনেকবোৰ তত্ত্ব আমাৰ জ্ঞান মাৰ্গত ধৰা পৰে। তাৰ ভিতৰত চাৰি তত্ত্বকে আমি মুখ্য বুলি কব পাৰো। যেনে— পূৰ্ব্বে জীৱ ক'ত আছিল, কি প্রক্রিয়াৰ দ্বাৰা এই মৰতত উপবিষ্ট হ'ল, এই মৰতত জীৱৰ প্রকৃত কৰ্ম কি আৰু নৰনাট সামৰাৰ পিছত জীৱ কলৈ যাব। ইয়াৰ উত্তৰত আমি তত্ত্ব মাৰ্গৰে বিচাৰ কৰি চালে পাও যে পূৰ্বতে জীৱে ব্রহ্মকুণ্ডত অনুৰূপে আছিল। তাৰ পিছত বায়ুৰূপে পিতৃ শিৰত স্থিত হৈ ৰস ৰূপে মাতৃ গৰ্ভত গৰ্ভধাৰণ কৰি পৰম ব্রহ্মক অনেক কাকুতি মিনতি কৰাত প্রসূতি বায়ুৰ সহায়ত ভূমিষ্ঠ হয়। এইখিনিলৈকে জীৱ শিৱ স্তৰতে আছিল। কিন্তু নাড়ি ছেদন কৰাৰ পিছতে নাসিকা শ্বাস প্রবাহিত হয় আৰু লগে লগে জীৱক সংসাৰ বন্ধনৰ মায়াই আবদ্ধ কৰে। জীৱে তেতিয়া শিৱস্তৰৰ পৰা জীৱ স্তৰলৈ অৱনমিত হয়। মায়া মোহিত জীৱৰ জীৱ স্তৰত যাতনা ভোগ অনিবাৰ্য। এই মায়া সম্পৰ্কে আমি তত্ত্বজ্ঞানৰে বিচাৰি চালে



বুজি পাও যে 'মা' নিষেধ বাচক 'য়া' প্রাপ্তি বাচক অৰ্থাৎ যি প্রাপ্তি হৈয়ো নাই সেয়ে মায়া।

দেহৰ ক্রমবৰ্দ্ধমানৰ লগে লগে মায়া মোহিত জীৱে গুণ আৰু ইন্দ্রিয়ৰ অধীনস্থ হৈ পৰে। ফলত জগত সত্য, ব্রহ্ম মিথ্যা এই ভ্রান্তিমূলক ধাৰণাই জীৱক মোহিত কৰি ৰাখে। জীৱে তেতিয়া সংসাৰৰ বৈষয়িক সুখ ভোগতে মত্ত হৈ সংসাৰ আৰু ইয়াৰ আটাইবোৰ বস্তু সচা বুলি জ্ঞান কৰে। ইয়াকে বিষ্ণুমায়া বোলে। ভাগৱতত কোৱা হৈছে—

অবস্তুক দেখাৱয় বস্তুক আবৰি ॥
সেহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি ॥

সেয়েহে এই মায়াৰ পৰা অব্যাহতি পাব খুজিলে জীৱে সৎ গুৰুত শৰণ (আশ্রয়) লব লাগিব। যথা -

দেহগোট নৌকা ভৱ তৰণৰ সাৰ।
উপদেশ গুৰু ভৈলা ইহাৰ কাণ্ডাৰ ॥

গুৰু আশ্রিত জীৱৰ অবিদ্যা আতৰি যাব আৰু সেই জীৱে জগৎ মিথ্যা ব্রহ্ম সত্য এই পৰম সত্যৰ সন্ধান পাব। তেতিয়া জীৱে পুনৰ শিৱ স্তৰলৈ উন্নীত হ'ব। দেহময় জ্ঞান আৰু তেওঁৰ নাথাকিব। তেনে জীৱেহে মই আৰু মোৰ পাৰ্থক্য উপলব্ধি কৰিব পৰা হয়। তত্ত্ব জ্ঞানেৰে বিচাৰ কৰিলে আমি বুজি পাও যে যেতিয়ালৈকে জীৱৰ দেহময় জ্ঞান থাকে, বিষয় বুদ্ধিত মজি থাকে তেতিয়ালৈকে ব্রহ্ম জ্ঞান পূৰ্ণ নহয়, হ'ব নোৱাৰে। কাৰণ দেহটো মোৰ হে! মই নহয়। 'মই' হ'ল চালক চৈতন্য, শাশ্বত।

ভগবান কৃষ্ণই জীৱ আৰু দেহ সম্বন্ধে গীতাৰ দ্বিতীয় অধ্যায়ত বিশদ ভাবে বৰ্ণনা কৰিছে। অৰ্জুনক মাধ্যম কৰি লৈ গুৰু আৰু শিষ্যৰ কেনে গভীৰ সম্বন্ধ, জীৱাত্মা আৰু পৰমাত্মাৰ কেনে নিগূঢ় সম্বন্ধ তাক ব্যাখ্যা কৰিছে। এইখিনিতে আমি কব পাৰো যে শিষ্যই গুৰুৰ প্রতি যিমানখিনি ভাব ভক্তি ৰাখিব লাগে,

গুৰুক ব্ৰহ্ম জ্ঞান কৰিব লাগে থিক তেনেদৰে গুৰুৰো শিষ্যৰ প্ৰতি কৰলগীয়া আৰু কৰিবলগীয়া কৰ্ত্তব্য আছে। কমাৰে পোন লোহা-বোৰক ভাজ দি নানা অস্ত্ৰ তৈয়াৰ কৰে আৰু গুৰুৱে মায়া মোহত আসক্ত বিষয়ী বক্ৰ ভাবপন্ন শিষ্যবোৰক পোন কৰি এক পৰমেশ্বৰৰ সেৱক কৰি তোলে। সেয়েহে গুৰু সকলে সংখ্যাগত শিষ্যৰ সংখ্যা বঢ়োৱাতকৈ গুণগত তত্ত্বজ্ঞানী শিষ্যৰহে সংখ্যা বঢ়োৱাৰ চেষ্টা কৰা প্ৰয়োজন। ৰামকৃষ্ণ পৰমহংসৰ শিষ্য স্বামী বিবেকানন্দই আত্মজ্ঞান সাধনাৰ বলতে অকলে গুৰুক বিশ্বত জীয়াই ৰাখিলে। শিৱাজীয়ে তত্বজ্ঞানৰে গুৰু মাহাত্ম্য বুজিছিল কাৰণে গুৰু ৰাম দাসজীৰ আদেশ মৰ্মে মৃত্যুকো আওকান কৰি সিংহিনীৰ গাখীৰ খিৰাই আনি গুৰুৰ মনত সন্তোষ দিছিল। তেনে শিষ্যৰহে প্ৰয়োজন। তত্ত্বজ্ঞানী জীৱেহে দেহ ভিন্ন জীৱ ভিন্ন এই সন্ধিৰ তত্ত্ব উপলব্ধি কৰিব পাৰিব।

ভগবানে তেওঁৰ সৃষ্টিৰ প্ৰত্যেক জীৱ দেহতে চৈতন্যৰূপে ক্ৰিয়া কৰি আছে। গোটেইডাল কুহিয়াৰত ৰস বিয়পি থকাৰ দৰে জীৱ দেহতো ভগবানৰ ক্ৰিয়া বিৰাজমান। কিন্তু জ্ঞান তত্ত্বৰ অভাবত জীৱে ইয়াক উপলব্ধি কৰিব নোৱাৰি সকলো কাম নিজে কৰা বুলি ভাবে।

বাস্তৱ জগতত জীৱ দেহলৈ মন কৰিলে আমি উপলব্ধি কৰিব পাৰো যে এই দেহ অস্থায়ী, জড় আৰু মৰণশীল। আনহাতে আত্মা চিৰন্তন সত্য, সনাতন। তদুপৰি দেহৰ পৰিবৰ্ত্তন আছে। যেনে মাতৃ গৰ্ভত থকা দেহ, ভূমিষ্ঠ হোৱা দেহ, শিশু অৱস্থা দেহ, বাল্য অৱস্থা দেহ, পৌগণ্ড অৱস্থা দেহ, যৌৱন অৱস্থা দেহ আৰু বৃদ্ধ বা জড় অৱস্থাৰ দেহৰ স্বৰূপ ভিন ভিন প্ৰকাৰে গঢ় লৈ উঠা দেখা যায়। কিন্তু দেহত অৱস্থিত আত্মা শিশু অৱস্থাত যেনে বৃদ্ধ অৱস্থাতো একেদৰে থাকে। এই কথা আমি তত্ত্ব জ্ঞানৰে বিচাৰ কৰি চালে দেখা পাও যে দেহ বিকাৰ পূৰ্ণ আৰু আত্মা হৈছে বিকাৰ শূণ্য। দেহত অৱস্থিত আত্মা দেহৰ পৰা ওলাই



গ'লে জীৱ দেহ অচল হৈ পৰে। ইন্দ্ৰিয়বোৰো বিকল হৈ পৰে। মুখে মাতিব নোৱাৰা হয়, কাণে নুশুনে, চকুৰে নেদেখে, হাত ভৰিয়ে লৰচৰ কৰিব নোৱাৰা হয়। তেতিয়া আমি সেই দেহক মৃত্যু হৈছে বুলি কওঁ। তাৰমানে আমি বুজি পালো যে প্ৰকৃত সত্য বস্তুৰ অভাবতহে দেহৰ বিনাশ ঘটে। আনহাতে দেহ জড় হলেও ইয়াৰ ভিতৰত থকা জীৱ সত্য। কাৰণ ই সত্য বস্তুৰ পৰা আহিছে। তথাপিতো আমাৰ স্বভাব দেহৰ লগত সম্বন্ধ কৰি থকা বাবে দীপ্তি-মান ৰবিক মেঘে ঢাকি ৰখাৰ দৰে জীৱকো অজ্ঞান অন্ধকাৰে ডুব নিয়াই ৰাখে। ফলস্বৰূপে মৃত্যু বেলাত হৰি স্মৰণৰ পৰা বিৰত থাকি মোৰ পিতা, মোৰ মাতা বুলি মোৰ মোৰ ভাবত তন্ময় হৈ পৰো। আৰু তেনে ভাবতে থাকি তনু ত্যাগ কৰি পুনৰ সংসাৰত অধো যোনিত জন্মগ্ৰহণ কৰিবলগীয়া হয়। এই সম্পৰ্কে ভগবান কৃষ্ণই গীতাত কৈছে—

যং যং বাপি স্মৰণ ভাবং ত্যজত্যন্তে কলেৱৰম্।
তং তমেবৈতি কৌন্তেয় সদা তস্তাৱ ভাবিতঃ॥

অৰ্থাৎ অন্তিম সময়ত যি যি ভাবনা লৈ তনুত্যাগ কৰে ঠিক সেই সেই ভাবনানুযায়ী পৰকাল প্ৰাপ্ত হয়। কাৰণ সদায় যি যি ভাবনাৰ অভ্যাস কৰে সেই সেই ভাবনাৰ দ্বাৰা ভাবিত হৈ থকাৰ কাৰণে অন্তিম সময়তো সেই ভাবনাই আহি উপস্থিত হয়হি।

ভৰত ৰজাই মৃত্যুৰ বেলিকা হৰিণ পোৱালিটোৰ কথা ভাবি ভাবি মৃত্যু বৰণ কৰাৰ বাবে পিছৰ জন্মত হৰিণীৰ গৰ্ভত জন্ম লব-লগীয়া হৈছিল।

এই সম্পৰ্কে বুদ্ধদেৱেও কৈছে— 'অতৃপ্ত বাসনাই পুনৰজন্মৰ কাৰণ।' তত্ত্বজ্ঞানী জীৱেহে বাসনা ক্ষয় কৰিব পাৰে। সেয়েহে আমি বাসনা শূণ্য হৈ মৃত্যুবৰণ কৰিব পাৰিলেহে উৰ্দ্ধগতি লাভ কৰিব পাৰিম। নহলে অধোগতি প্ৰাপ্ত হৈ পুনৰ বৈতৰণীৰ সোঁতত উটি ভাহি গৰ্ভবাস নিকাৰ ভুঞ্জিব লাগিব।